School Leadership

# বিদ্যালয়ৰ নেতৃত্ব

# Transforming teaching-learning process: managing resources for effective student learning

## শিক্ষণ-শিকন প্ৰক্ৰি য়াৰ পৰিৱৰ্ত্তন সাধন ঃ ছাত্ৰ-ছাত্ৰীৰ ফলদায়ক শিকনৰ বাবে সম্পদ আহৰণ





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

এই স্কুল লিডাৰ্ধিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ চজ্লুটা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যত্ৰ মিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।

নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰ্ধিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰ্ধিপৰ পাঠ্যত্ৰ মিক পৰিকাঠামোৰ সৈতে সংঘৰদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰ্ধিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়বদ্ধ ব্যক্তিক বুজাইছে।

## ভিডিঅ' সম্পদ *Video resources*

*The* Tess Indiaৰ স্কুল লিডাৰ্ধিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ' কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিবলৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।
Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।

Tess India প্ৰকল্পৰ বিষয়ে

ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।
ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে ৰজ্লুপ্ত Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।
Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যত্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।

Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL16v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

পঢ়াশালীৰ এজন মুৰব্বী হিচাবে সকলো ছাত্ৰ-ছাত্ৰীকে সমান সুযোগ আৰু সহায় আগবঢ়াই শিক্ষা দান কৰাটো আপোনাৰ বাবে প্ৰধান দায়িত্ব। প্ৰকৃতাৰ্থত শিক্ষাদান উন্নত কৰিবলৈ হ'লে বিদ্যালয় চৌহদ বা আশে পাশে থকা সম্পদসমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে সম্ভৱ হ'ব পাৰে। মানৱ সম্পদেই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ। শিক্ষক, কৰ্ম্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় লোক সকলৰ পৰা সহযোগিতাৰ সুযোগ লোৱাতো প্ৰয়োজনীয়, যিসকলে শিক্ষণ-শিকন প্ৰত্ৰি য়াটোত বিভিন্ন জ্ঞান আৰু কৌশল সম্বন্ধীয় অৱদান আগবঢ়াব পাৰে। মানৱ সম্পদৰ উপৰিও শিক্ষাদান প্ৰত্ৰি য়াটো ৰূপায়ণ কৰাৰ বাবে আপোনাৰ আন এক দায়িত্ব হ'ব বিত্তীয় সম্পদ আৰু ভৌতিক তথা বস্তুগত সম্পদৰ ব্যৱস্থা কৰা। ছাত্ৰ-ছাত্ৰীৰ শিকন কাৰ্যত যাতে সেইবোৰ সহজলভ্য, উপযুক্ত আৰু ফলদায়ক তাক নিশ্চিত কৰিব লাগিব।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়সমূহৰ পৰিৱেশ আৰু পৰিস্থিতিৰ লগতে ভাষা আৰু সংস্কৃতিও সাঙোৰ খাই থাকে। গ্ৰাম্যাঞ্চলত কিছুমান সৰু বিদ্যালয় আছে যিবিলাকত মাত্ৰ এজন শিক্ষকেই বহুতো শ্ৰেণীত পাঠদান কৰে নতুবা সমতলত থকা বৃহৎ চহৰৰ একোখন বৃহৎ বিদ্যালয় আছে য'ত বহুতো শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী থাকিব পাৰে। বিদ্যালয় চৌহদৰ বাহিৰত শিক্ষাদানৰ বাবে উপযোগী বহুতো সম্পদ থকাতো স্বাভাৱিক। তথাপিও চৌহদৰ ভিতৰৰ সম্পদসমূহ শিকন প্ৰত্ৰি য়াত ব্যৱহাৰ হোৱাতো প্ৰয়োজনীয়।



**চিত্ৰ-১** শৈক্ষিক সমলসমূহসমান সুবিধাৰ বাবে পোৱা বাধাসমূহ

বহুতো বিদ্যালয়ৰ শিকন প্ৰত্ৰি য়াত ব্যৱহাৰ যোগ্য সম্পদ নিচেই তাকৰ হ'লেও ইচ্ছা কৰিলে বিদ্যালয়ৰ ভিতৰে বাহিৰে থকা সকলো মানৱ সম্পদৰ লগতে সমূহ সম্পদকেই শিক্ষা ব্যৱস্থাৰ আওতালৈ আনিব পৰা যায়।

বিদ্যালয়ৰ মুৰব্বীজনৰ লগতে শিক্ষক সকলে এই বহুলভিত্তিক অনুভূতি বা উপলব্ধিক আদৰি লোৱা উচিত যাতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ে শিক্ষণ-শিকন প্ৰত্ৰি য়াটো সঠিক দিশত আগবঢ়াই নিব পাৰে।

এই গোটটোৰ দ্বাৰা আশা কৰা হৈছে যে শিক্ষা ব্যৱস্থাৰ লগত সাঙোৰ খাই থকা সম্পদসমূহ সম্পৰ্কে আপোনাৰ কিছু জ্ঞান হৈছে আৰু তাৰ দ্বাৰই সঠিকভাৱে কাৰ্য্যব্যৱস্থা লবলৈও আপুনি উদ্‌গণি পাইছে।.

# শিকন দিনলিপি (Learning Diary)

এই পাঠ গোটটোত কাম কৰোঁতে এখন ডায়েৰী বহী নাইবা সাধাৰণ বহীত আপুনি অংশ গ্ৰহণ কৰা সকলো কাৰ্য্য ব্যৱস্থা তথা চিন্তা-চৰ্চা নিখুঁতভাৱে লিপিবদ্ধ কৰি ৰখাটো আপোনাৰ কৰ্তব্যৰ ভিতৰত পৰে। হয়তো আপুনি ইতিমধ্যে এই ব্যৱস্থা হাতত লৈছেই।

আপুনি হয়তো একপক্ষীয়ভাৱে প্ৰক্ৰিয়াটো আগবঢ়াই লৈ যাব পাৰে বা গৈছে কিন্তু আপোনাৰ দৰে আন এজন বিদ্যালয়ৰ মুৰব্বীৰ লগত আপোনাৰ কৌশল সম্পৰ্কে বিতংভাৱে আলোচনা কৰিব পাৰিলে বেছিকৈ শিকাৰ সুযোগ পাব বুলি আশা কৰা যায়। এনেধৰণৰ আলোচনা আপোনাক সহায় কৰি থকা সহকৰ্মীক নতুনকৈ গঢ় লোৱা বন্ধু-বান্ধৱীৰ লগতো হ'ব পাৰে। আলোচনাৰ বাবে কোনো বিশেষ ব্যৱস্থাপনাৰ কোনো প্ৰয়োজন নাই। আলোচনাৰ পৰা পোৱা শিক্ষা যিয়েই নহওঁক, সেই সকলোবোৰ আপোনাৰ দিনপঞ্জীত লিপিবদ্ধ হোৱাতো আপোনৰ বাবে আৱশ্যকীয় তথ্য হ'ব আৰু আপোনাৰ ভৱিষ্যত দীৰ্ঘম্যাদী কৰ্ম্মপন্থাৰো সহায়ক হ'ব পাৰে।

## বিদ্যালয়ৰ মুৰব্বীয়ে এই গোটটোৰ পৰা কি শিকিব পাৰিব (What school leaders can learn in this unit)



- বিদ্যালয়ৰ চৌহদৰ ভিতৰত আৰু আসে পাসে থকা উপযোগী সম্পদসমূহৰ বিষয়ে বহল ভিত্তিত জ্ঞান লাভ কৰা।
- বিদ্যালয় চৌহদৰ ভিতৰত থকা ভিন ভিন সম্পদসমূহ চিনাক্ত কৰা আৰু মন কৰিব লাগিব কোনবিধ সম্পদৰ উচিত ব্যৱহাৰ হোৱা নাই।
- বিদ্যালয় চৌহদ বা আশে পাশে থকা সম্পদসমূহ বিদ্যালয় কৰ্ম্মচাৰীৰ সহযোগিতাৰে সফল ৰূপত শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰ কৰোৱাত আগভাগ লোৱা।
- বিদ্যালয় চৌহদৰ ভিতৰত থকা সকলো সম্পদৰ উচিত ব্যৱহাৰ হোৱাৰ বাবে আঁচনি তৈয়াৰ কৰা।

## 1বিদ্যালয় চৌহদৰ ভিতৰৰ আৰু বাহিৰৰ বিভিন্ন প্ৰকাৰৰ সম্পদ সমূহ (1 Types of resources within and outside your school)

আমাৰ চৌদিশে থকা সকলো বস্তুৰেই শিক্ষণ প্ৰক্ৰিয়াৰ বিষয়বস্তু হিচাবে বিভিন্ন ধৰণে যেনে আলোচনাৰ জৰিয়তে পৰ্যৱেক্ষণ, তুলনামূলকভাৱে, ব্যৱচ্ছেদ কৰি নাইবা পৰীক্ষামূলক অনুসন্ধানৰ দ্বাৰা ব্যৱহাৰ কৰিব পাৰে। অৱশ্যে সকলোবোৰ বস্তু সহজলভ্য নহয়। কিছুমান বস্তুৰ বাবে সহজেই পুঁজি উলিয়াব পাৰিলেও আন কিছুমানৰ বাবে অৰ্থৰ প্ৰয়োজন হয়। কিন্তু, কিছুমান সম্পদ আহৰণ কৰিবলৈ কোনো খৰচ নহয়।

১ নং তালিকাযোগে বিভিন্ন ধৰণৰ কিছুমান সম্পদৰ উল্লেখ কৰা হৈছে যাৰ সহায়ত শিকন প্ৰক্ৰিয়াৰ এটা সুস্থ বাতাবৰণ তৈয়াৰ কৰিব পৰা যায়।

তালিকা নং ১ - সম্পদসমূহৰ ধৰণ

| | |
|---|---|
|  | **১) মানুহ** ঃ এইবোৰৰ ভিতৰত শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-চাত্ৰী, আন বিদ্যালয়ৰ কৰ্মচাৰী, ওচৰ-চুবুৰীয়া, পোষকতা কৰোঁতা, সহায়কাৰী, সমাজৰ দক্ষব্যক্তি ইত্যাদি। |
|  | **২) জীৱীত বস্তু** ঃ এইবোৰৰ ভিতৰত ঘৰচীয়া বা বনৰীয়া জন্তু, চৰাই-চিৰিকটি, পোক-পতঙ্গ, বিভিন্ন সৰীসৃপ আৰু সেইবোৰৰ বাসস্থান আৰু চৰণীয় ঠাই লগতে গছ-গছনি, ফুল, ফল, পাচলি আৰু শস্যৰ পথাৰসমূহ। |
|  | **৩) বিদ্যালয় চৌহদৰ পৰিৱেশ** ঃ চাৰিবেৰৰ ভিতৰত থকা শ্ৰেণীকোঠা, স্নানাগাৰ, ৰান্ধনীশাল, কাৰ্যালয়, পৰীক্ষাগাৰ আৰু মাজেৰে যোৱা পথসমূহৰ লগতে বাহিৰত খোলা ঠাই, তাপ, পোহৰ আৰু শব্দৰ উৎসসমূহ ইত্যাদি। |

| | |
|---|---|
|  | **৪) শ্ৰেণীকোঠাৰ আচবাব ঃ** শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে চকী-মেজ, লিখা সঁজুলি ইত্যাদি। |
|  | **৫) স্থানীয় পৰিৱেশ ঃ** চহৰ-নগৰ, গাওঁ, সমুদ্ৰতীৰ, পৰ্বতীয় অঞ্চল আৰু তাৰ জলবায়ু, নদ-নদী, তাত থকা উদ্যোগ আৰু জনবসতিৰ লগতে খেতিপথাৰ ইত্যাদি। |
|  | **৬) বয়বস্তু ঃ** কিতাপ, কাগজ, ভূচিত্ৰাৱলী, অন্যান্য মানচিত্ৰ, খেলৰ সঁজুলি, গণিতৰ আহিলা পৰীক্ষাগাৰৰ আহিলাপাতি, কম্পিউটাৰ, ম'বাইল ফোন, চিত্ৰাংকনৰ সঁজুলি, অন্যান্য আহিলাপাতি, বিষয়সাপেক্ষে থকা আহিলাপাতি, কৃত্ৰিম উপগ্ৰহ সংযোগী দুৰদৰ্শন আৰু বিভিন্ন অংকণ ইত্যাদি। |


ওপৰত উল্লেখ থকা সকলোবোৰেই শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰ হ'ব পৰা সম্পদ। কিন্তু নিম্নলিখিত কিছুমান কাৰ্য্যপন্থাৰ জৰিয়তে আপুনি থিৰাং কৰিব লাগিব যে কোনবোৰ সম্পদ আপোনাৰ বিদ্যালয়ত মজুত আছে। তাৰোপৰি ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনৰ বিদ্যালয়ৰ নিৰ্ধাৰিত নিয়মৰ অধীনত শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰ হ'ব পৰা সম্পদসমূহ চিহ্নিত কৰাতো প্ৰয়োজনীয়। এই সমূহৰ ভিতৰত আছে শিক্ষক, ঘৰ-বাৰী, দৈনিক, সাপ্তাহিক তথা বছৰেকীয়া কৰ্ম দিন, নিৰ্দ্ধাৰিত সময়, শিকন-শিক্ষণ প্ৰণালীৰ প্ৰয়োজনীয় আহিলাপাতি, গ্ৰন্থাগাৰ, খেলপথাৰৰ লগতে খেলৰ সামগ্ৰীয়েই প্ৰধান।



## ক্ৰিয়া-কলাপ 1 ঃ সহজলভ্য সম্পদসমূহ কোনবোৰ? (Activity 1: What resources are available?)

ইয়াৰ বাবে পাঠ্যক্ৰমৰ কোনো অধ্যায় বা কোনো বিষয়বস্তু বাচি উলিয়াওক যিটো আপোনাৰ ভালদৰে জ্ঞাত আৰু ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে শিকোৱাও হৈছে। বিষয়টো আপুনি নিশ্চয় ভালদৰে শিকিছে নাইবা আন শিক্ষকে শিকাওতে মন কৰিছে। শিক্ষণ প্ৰক্ৰিয়াৰ সম্পদসমূহৰ বিষয়ে ভালদৰে বুজি উঠিব পাৰি। এইদৰেই সমূহীয়া গোটৰ লগত কোনো কাম সম্পূৰ্ণ কৰিব পাৰিলে উদ্দেশ্যৰ সফলতাৰ এক বিস্তৰ খতিয়ান দাঙি ধৰাত সহায়ক হ'ব।

নং তালিকাৰ বিভাগসমূহৰ ভিত্তিত সহজলভ্য সম্পদসমূহ শিকন প্ৰক্ৰিয়াৰ বাবে বিচাৰি উলিয়াব লাগিব। ২ নং তালিকাত দিয়া উদাহৰণ সাপেক্ষে কিছুমান বিভাগৰ সৃষ্টি কৰি সম্পদসমূহৰ তালিকা প্ৰস্তুত কৰিব লাগিব। সম্পদসমূহ বিদ্যালয় চৌহদৰ ভিতৰত নে বাহিৰৰ সেইটোও স্পষ্টভাৱে উল্লেখ কৰিব লাগিব।

২ নং তালিকা ঃ বিদ্যালয় চৌহদৰ ভিতৰৰ আৰু বাহিৰৰ সম্পদ চিনাক্ত কৰণৰ নমুনা

| সম্পদ | | বিদ্যালয়ৰ ভিতৰত আৰু চৌহদৰ পৰ্যাপ্ত | বিদ্যালয়ৰ পৰিসীমাৰ বাহিৰত পৰ্যাপ্ত |
|---|---|---|---|
|  | ১ নং বিভাগ ঃ মানৱ সম্পদ- ওচৰ পাজৰৰ দোকানসমূহ | | ✓ |
|  | ২ নং বিভাগ ঃ জীৱন্ত সম্পদ- খেতিৰ ঠাই, ফলৰ গছ | ✓ | |

| | | | |
|---|---|---|---|
|  | ৩ নং বিভাগ ঃ বিদ্যালয়ৰ পৰিৱেশ- খেলপথাৰ ইত্যাদি | ✓ | |
|  | ৪ নং বিভাগ ঃ বিদ্যালয়ৰ পৰিৱেশ- প্ৰত্যেক শ্ৰেণীৰ শিক্ষকৰ বাবে লিখাৰ সঁজুলি (বোৰ্ড) ইত্যাদি। | ✓ | |
|  | ৫ নং বিভাগ ঃ স্থানীয় পৰিৱেশ- নদ-নদী ইত্যাদি। | | ✓ |
|  | ৬ নং বিভাগ ঃ অন্যান্য সামগ্ৰী, ইণ্টাৰনেটক কাফে ইত্যাদি | | ✓ |

- ওপৰোত্ত তালিকাখনৰ ভিত্তি কৰি আগতে ব্যৱহাৰ নোহোৱা কোনো সম্পদ বিচাৰি উলিয়াওক। লগতে এইটোও ভালদৰে চালিজাৰি চাব লাগিব কোনবোৰ বাস্তৱ সম্পদ বা মানৱ সম্পদ প্ৰক্ৰিয়াটোৰ লগত ভলদৰে খাপ খায়। (মানৱ সম্পদ মানুহৰ ভিতৰত চাব লাগিব। বিদ্যালয়ৰ কৰ্ম্মচাৰী, ছাত্ৰ-ছাত্ৰী নাইবা অভিভাৱক সকলো সহায়ক হ'ব পাৰে নেকি?)

- তালিকাখন সম্পূৰ্ণকৈ তৈয়াৰ কৰোতে এইটোও চাব লাগিব কোনবোৰ সম্পদ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সুবিধাজনক নহয়। উদাহৰণস্বৰূপে, চাপৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ওখ ঠাইত আঁৰি থোৱা বোৰ্ডখন নাইবা ছাত্ৰীসকলৰ বাবে নদী বা জলাশয় চিনাত্ত কৰিব পাৰে। আপোনাৰ হাতত থকা ডায়েৰী বহীখনত এইবোৰৰ উল্লেখ কৰি ৰখাৰ উপৰি সম্পদসমূহৰ সকলোৰে উচিত ব্যৱহাৰৰ বাবে উপযোগী কৰাতো দৰকাৰ হ'ব।
- সৰ্ব্বশেষত চিনাত্ত কৰা সম্পদসমূহ ভালদৰে চালিজাৰি চাই যিবোৰ সম্পদ সহজলভ্য তথা খৰচবিহীন, সেইবোৰৰ কাষত ☺ চিহ্ন আৰু যিবোৰৰ বাবে ধন ব্যয় কৰাতো প্ৰয়েজনীয় সেইবোৰৰ কাষত '/Rs' চিহ্নটো দি ৰাখিব লাগিব।

## আলোচনা (Discussion)

চিনাত্ত কৰা অথবা ব্যৱহৃত বিদ্যালয়ৰ সম্পদসমূহক লৈ পুনৰবাৰ চিন্তা কৰিব পৰা যায়। কেনেকৈ শিক্ষণ প্ৰক্ৰিয়াটো অন্যধৰণে, সুবিচাৰেৰে আৰু সুকলমে প্ৰথম পদক্ষেপত অগ্ৰগতি কৰি নিব পাৰি. শিক্ষণ প্ৰক্ৰিয়া চলাই লৈ যাওতে আপুনি হয়তো অনুভৱ কৰিছে যে কিছুমান এনেকুৱা সম্পদ আছে যিবিলাক ব্যৱহাৰ কৰাৰ কথা আপুনি চিন্তাই কৰা নাই। এই ক্ষেত্ৰত আপুনি শিক্ষক-শিক্ষয়িত্ৰী, কৰ্ম্মচাৰী বা আনলোকৰ সৈতে আলোচনা কৰি ব্যৱহাৰ নোহোৱা সম্পদসমূহৰ উচিত ব্যৱহাৰৰ উপায় উলিয়াই ল'ব পাৰে।

আপুনি হয়তো এইটোও ধৰিব পাৰিছে যে সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে কিছুমান সম্পদৰ ব্যৱহাৰত অসমানতা আছে। এই অসমানতা লিঙ্গভেদে, উপাৰ্জনক লৈ, থকাৰ ঠাইৰ অৱস্থান, আকাৰ, শাৰীৰিক সক্ষমতা বা অন্যান্য কাৰক হ'ব পাৰে। সেইবাবে সকলোৰে বাবে সুবিধাজনক সম্পদৰ ব্যৱহাৰ কৰা অথবা অসুবিধা পোৱা সকলৰ বাবে আন সুবিধা দিয়াতো প্ৰয়োজনীয় হ'ব। উদাহৰণস্বৰূপে, কম্পিউটাৰ শিক্ষাৰ শ্ৰেণীকোঠাৰ ধৰা যাওক য'ত ছাত্ৰসকলে ইচ্ছুক ছাত্ৰীসকলক কম্পিউটাৰ ব্যৱহাৰৰ সুযোগ দিয়াৰ পৰা বঞ্চিত কৰাৰ চেষ্টা কৰিব পাৰে। সেই পৰিস্থিতিত শিক্ষকজনে ছাত্ৰীসকলৰ বাবে কম্পিউটাৰ ব্যৱহাৰৰ পৃথক সময় নিৰ্দ্ধাৰণ কৰি সেই সুবিধাকণ উলিয়াই দিয়াৰ উপৰি সকলোৰে সমান অধিকাৰৰ বিষয়টো ভালদৰে বুজাই দিয়াতো আৱশ্যকীয় কথা।

ক্ৰয় কৰিবলগীয়া সম্পদৰ বাবে ধন গোটোৱাটো অৱশ্যেই এক সমস্যা। বহুতো বিদ্যালয় আছে যিবিলাকৰ সম্পদ ক্ৰয় কৰিব পৰা যথেষ্ট

ধন নাই, তেনেক্ষেত্রত সহজলভ্য (মানৱ সম্পদ আৰু বিদ্যালয় চৌহদত পোৱা আটবাব) সম্পদৰ ওপৰত নিৰ্ভশীল হোৱাতো দৰকাৰ। ত্র য় কৰিবলগীয়া সম্পদসমূহ ধনদাতাসকলে ভালদৰে জ্ঞাত হ'লে সকলোৰে সহজলভ্য হ'ব। (৫ নং খণ্ড চাওক)

## 2 বিদ্যালয় চৌহদৰ ভিতৰৰ আৰু বাহিৰৰ ব্যৱহাৰ নোহোৱা সম্পদসমূহ চিনাক্ত কৰণ (2 Identifying underutilised resources within and outside your school)

বৰ্তমান আপোনাৰ বিচাৰ-বিবেচনা হ'ব লাগিব আপুনি বাচি উলিওৱা সম্পদসমূহ আপোনাৰ সহকৰ্ম্মচাৰীসকলে শিক্ষণ প্ৰত্রি য়াত কেনেদৰে ব্যৱহাৰ কৰিছে। আপোনাৰ বিদ্যালয়ত সকলো শ্ৰেণীকোঠাতে নিশ্চয় একোখন বোৰ্ড (ফলক) আছে, কিন্তু ছাত্ৰ-ছাত্ৰীসকলক শিকাওতে কেনেদৰে তাৰ ব্যৱহাৰ কৰিছে বা নাই কৰা সেইটোও চাব লাগিব। হয়তো বোৰ্ডখনৰ ৰং এৰাই গৈ লিখাৰ অনুপযোগী হৈ পৰিছে নাইবা ব্যৱহাৰৰ পৰিৱৰ্তে এনেই ওলোমাই ৰখা হৈছে। আপুনি হয়তো মিলিজুলি সকলোৰে সহায়ত কাম আগবঢ়াই নিয়াৰ চেষ্টা কৰিছে কিন্তু আপুনি বিভিন্ন সম্পদৰ উচিত ব্যৱহাৰৰ বিষয়ে ভালদৰে চালিজাৰি চোৱাই নাই।

### ত্রি য়া-কলাপ 2 ঃ সম্পদসমূহ প্ৰকৃততে কেনেদৰে ব্যৱহাৰ হৈছে? (Activity 2: How far are resources actually used?)

১ নং ত্রি য়া-কলাপাৰ জৰিয়তে আপুনি বাচি উলিওৱা সম্পদসমূহৰ বিষয়ে বিচাৰ কৰি উলিয়াওক যে সম্পদসমূহৰ দ্বাৰা শিক্ষণ প্ৰত্রি য়াটো কিমান ফলপ্ৰসূ হৈছে তলত দিয়াধৰণে সেইটো মূল্যায়ন কৰক।

- A- সত্রি য় শিকন কাৰ্যত সহায় কৰাত ফলদায়ক হৈছে।
- B- সত্রি য়া শিকনত সহায় কৰাৰ বাবে আংশিকভাৱেহে ফলদায়ক হৈছে।
- C- সত্রি য় শিকনত সহায় কৰাত আংশিকভাৱেহে ব্যৱহাৰ হৈছে, কিয়নো সম্পদসমূহৰ আশানুৰূপ ব্যৱহাৰ হোৱা নাই। হয়তো সকলো ছাত্ৰ-ছাত্ৰীয়ে তাত ভাগ লোৱাৰ সুবিধা পোৱা নাই।
- D- শিক্ষণ প্ৰত্রি য়া ফলপ্ৰসূ হোৱা নাই কিয়নো সম্পদৰ উচিত ব্যৱহাৰ হোৱা নাই অথবা অসম্পূৰ্ণ হৈছে।

এইক্ষেত্ৰত আপুনি বাচি উলিওৱা মানৱসম্পদ (শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা কমিটীৰ সদস্যসকল. ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক) সমূহৰ ওপৰতো মূল্যায়ন কৰিব পাৰে যিটো ভৱিষ্যতলৈ আপোনাৰ বাবে সহায়ক হ'ব।

আপুনি হয়তো মানৱ সম্পদৰ উপৰিও অন্যান্য সম্পদৰ মূল্যায়ন কৰাৰ দৰকাৰ অনুভৱ কৰিছে। তেনেক্ষেত্ৰত বোৰ্ডৰ (ফলক) ব্যৱহাৰক উদাহৰণ হিচাবে লৈ শ্ৰেণীকোঠা পৰিদৰ্শন কৰিব লাগিব আৰু শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক বুজাব লাগিব কেনেকৈ বোৰ্ড (ফলক)ৰ সহায়ত শিক্ষণ প্ৰত্রি য়াটো সহসাধ্য কৰি তুলিব পাৰি।লগতে বুজাই দিব পাৰি তাৰ জৰিয়তে কেনেকৈ ইয়াক কোনো বিষয়বস্তুৰ ওপৰত মত বিনিময়, বিতৰ্ক তথা অনুসন্ধানৰ সুযোগ তৈয়াৰ কৰিব পাৰি।

## 3 শিক্ষণ প্ৰত্রি য়াত সম্পদসমূহৰ উচিত তথা সৰ্ব্বাত্মক ব্যৱহাৰ (3 Using resources to their full potential for learning)

এইবাৰ আপোনাৰ চেষ্টা হ'ব লাগিব অব্যৱহৃত সম্পদসমূহৰ (২ নং ত্রি য়া-কলাপ চিহ্নিত কৰা B আৰু C ৰ আধাৰত) উচিত ব্যৱহাৰ কৰা আৰু (D ৰ আধাৰত) দ্যিলয়তে থকা অথচ চকুত নপৰা সম্পদসমূহ বিচাৰি ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ প্ৰত্রি য়াত উদ্‌গণি যোগোৱা।

অৱশ্যে ইয়াৰ বাবে কিছু সৃজনমূলক চিন্তাধাৰা আৰু বিশেষ ব্যৱস্থাপনাৰে সেই সম্পদসমূহক শিকন শিক্ষণ প্ৰক্ৰিয়াৰ আওতালৈ আনিব লাগিব কিয়নো আন শিক্ষকসকলে সেই সম্পদসমূহক শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰৰ সুযোগ ল'ব নোৱাৰিব পাৰে।

সাধাৰণতে কিছু সম্পদ ব্যৱহাৰৰ অনুপযোগী বুলি ভৱাৰ থল আছে কিয়নো সেইবোৰ হয়তো যথেষ্ট পুৰণি, মেৰামতিৰ প্ৰয়োজন থকা, শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰৰ অনুপযোগী ইত্যাদি। শিক্ষণ ব্যৱস্থাৰ লগত খাপ খুৱাব পৰা সম্পদ বিচাৰি উলিওৱাটো বিদ্যালয়ৰ মুৰব্বীজনৰ বাবে এক গধুৰ দায়িত্ব। অৱশ্যে পুৰ্বনিৰ্দ্ধাৰিত কাৰ্য্যত্ৰমনিকাৰ বাবে ই জটিলতাৰো সৃষ্টি কৰিব পাৰে। সেইবাবে সম্পদসমূহ বিচাৰি উলিয়াওতে আপোনাৰ দৃষ্টি থাকিব লাগিব কেনেকৈ আৰু কাৰ সহায়ত আপুনি শিক্ষা পদ্ধতিটোক সঠিক দিশত আগুৱাই নিব পাৰে। ধৰি লওক আপুনি বিজ্ঞান ভিত্তিত শিক্ষাদানৰ বাবে সম্পদ আহৰণ কৰিছে কিন্তু বাস্তৱিকতে দেখা যায় ছাত্ৰীসকল এই ক্ষেত্ৰত আগবঢ়া নহয় যাৰ বাবে অসামঞ্জস্যতাৰ কাৰক হ'ব পাৰে। কোনো বিশেষ কাৰ্যব্যৱস্থাৰ বাবে সম্পদসমূহৰ বিচাৰ কৰা আৰু সম্পদসমূহৰ ওপৰত ভিত্তি কৰি কাৰ্য্য ব্যৱস্থাৰ লক্ষ্য স্থিৰ কৰ একেই কথা। (ঘটনা অধ্যয়ন ১ ত বৰ্ণনা কৰা হৈছে)

## ঘটনা অধ্যয়ন 1 ঃ মিঃ কুমাৰৰ দ্বাৰা সম্পদৰ ব্যৱস্থাপনা (Case Study 1: Mr Kumar's resource management)

মিঃ কুমাৰ আছিল নতুনকৈ মকৰল হোৱা এখন বিদ্যালয়ৰ মুৰব্বী যিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন পৰিৱেশৰ পৰা অহা দুখীয়া লোকৰ ল'ৰা-ছোৱালী। চাকৰিত যোগদান কৰিয়েই তেওঁ উপলব্ধি কৰিছিল যে বিদ্যালয়খন সকলো দিশৰ পৰাই পিচপৰা। য'ত কোনো কাম হোৱা নাই, ছাত্ৰ-ছাত্ৰীৰ বাবে লাগতিয়াল আচবাব নাই আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ বাবেও কোনো বহা বা ৰখাৰ সুবিধা নাই। কিন্তু বিদ্যালয় চৌহদটো আছিল বিশাল য'ত বহুতো গছ-গছনি আৰু পানীৰ ব্যৱস্থা আছিল। তেওঁ বিদ্যালয়ৰ অন্য তিনিজন শিক্ষকৰ সৈতে লগ লাগি সম্পদসমূহৰ উচিত ব্যৱহাৰৰ কথা চিন্তা কৰিলে। গুণা গথাৰ অন্তত তেওঁলোকে বহুতো উপায় বিচাৰি উলিয়াই চৌহদৰ ভিতৰতেই বিজ্ঞান আৰু পৰিৱেশ শিক্ষাৰ ব্যৱস্থা কৰাৰ চেষ্টা কৰে যদিও সম্পদসমূহক ভালদৰে নিকা কৰি লোৱাৰ অনুভৱ কৰিলে।

শিক্ষকসকলৰ সহায়ত, মিঃ কুমাৰে বিদ্যালয় চৌহদটোকেই সম্পদ হিচাবে ব্যৱহাৰৰ সংকল্প ল'লে। সেইমতে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সপ্তাহত কমেও এদিনকৈ শিকন প্ৰক্ৰিয়াত ভাগ লোৱাৰ বাবে প্ৰস্তুতি ল'লে। প্ৰস্তুতি মৰ্মে শিক্ষকসকলৰ দায়িত্ব হ'ল শিক্ষণ প্ৰক্ৰিয়াটো সঠিক দিশত আগবঢ়াই নিয়াতো।

মিঃ কুমাৰৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত দিশবোৰ হ'ল জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এখনি শাক-পাচলিৰ বাগিচাৰ ঠাই নিৰূপণ কৰা আৰু তাত পানীৰ যোগান নিৰ্দিষ্ট কৰা। তেওঁ লগতে দুজন অভিভাৱকৰ দায়িত্বত গণিতৰ শ্ৰেণীত ব্যৱহাৰৰ বাবে পোহনীয়া পক্ষীৰ সঁজা প্ৰস্তুত কৰা কামৰ ভাৰ দিলে। আন এজন শিক্ষকে ইংৰাজীৰ শ্ৰেণীত ৰচনা লিখা ক্ৰিয়া-কলাপৰ কাম হাতত ল'লোঁ। এজন স্থানীয় ব্যৱসায়ীক বাগিছা প্ৰস্তুত কৰা আৰু শশ্য উৎপাদন প্ৰকল্পৰ বাবে সঁজুলি যোগান ধৰিবলৈ ক'লে। মিঃ কুমাৰক আচৰিত কৰি আগবাঢ়ি আহিছিল এক স্বেচ্ছাসেৱী সংগঠন, যিয়ে বিদ্যালয়ৰ চাৰিসীমাত গছ ৰোপণৰ প্ৰস্তাৱ আগবঢ়ালে। লগে লগে চাৰিওফালে মিঃ কুমাৰৰ নেতৃত্বৰ বিষয়ে বাতৰি প্ৰচাৰিত হ'ল। ফলত কিছু অভিভাৱকে স্বেচ্ছাই সমষ্ট প্ৰকল্পৰ চোৱাচিতা কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে।

## ত্রি য়া-কলাপ 3 ঃ কাৰ্য্যক্ষম সম্পদ ব্যৱস্থাপনাৰ প্ৰতিফলন (Activity 3: Reflecting effective resource management)

মিঃ কুমাৰৰ ঘটনা অধ্যয়নটো ভালদৰে জুকিয়াই চাই তলত উল্লেখ কৰা প্ৰ.ৃসমূহৰ উত্তৰ বিচাৰ কৰক।

- বিদ্যালয় চৌহদৰ সম্পদসমূহৰ ফলদায়ক সম্প্ৰসাৰণৰ সহায়ত মিঃ কুমাৰে কেনেকুৱা ব্যৱস্থাপনাৰে শিকন প্ৰত্ৰি য়াটো কাৰ্য্যক্ষম কৰি তুলিব পাৰিলে?
- বিদ্যালয় চৌহদটোক শিকন প্ৰত্ৰি য়াত সহায়ক হোৱাকৈ মিঃ কুমাৰে কেনেকুৱা পদ্ধতিগত ব্যৱস্থাৰে সফল হৈছিল?
- শিকন প্ৰত্ৰি য়াত ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ মিঃ কুমাৰৰ ব্যৱস্থাপনাৰ প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত কি?
- আপোনাৰ নিজৰ কাৰ্য্যপ্ৰণালীত সম্পদৰ ব্যৱহাৰৰ বাবে মিঃ কুমাৰৰ ঘটনা অধ্যয়নৰ পৰা শিকিব লগা কথাৰ প্ৰাসঙ্গিকতা কিমান?

### আলোচনা (Discussion)

মিঃ কুমাৰে বিদ্যালয় চৌহদটোক শিকন প্ৰত্ৰি য়াৰ বাবে উপযোগী হোৱাকৈ এক পৰিকল্পনা থিৰাং কৰি লৈছিল। যাৰ বাবে বিদ্যালয়খনো আকৰ্ষণীয় হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলেও শিকাৰ এক নতুন শৈলী বিচাৰি পাইছিল। তেওঁৰ লক্ষ্য পুৰণৰ বাবে মানৱ সম্পদৰ লগতে ত্ৰি য়া-কলাপৰ দিহা ল'বলগীয়া হৈছিল। বিদ্যালয়ৰ লগত জড়িত মানুহখিনিৰ লগতে ওচৰ চুবুৰীয়া মানুহখিনিও তেওঁৰ বাবে গুৰুত্বপূৰ্ণ সম্পদ। সেই সকলে দিহা-পৰামৰ্শ বা সময় দিয়াৰ উপৰি আৰ্থিক সাহায্যৰ দ্বাৰাও উপকাৰ কৰিব পাৰে। তেওঁলোকৰ সময় আৰু দিহা পৰামৰ্শ যিমানেই মূল্যৱান নহওক লাগে, মিঃ কুমাৰে তাৰ সঠিক মূল্যায়নৰ জৰিয়তে সুবিধা গ্ৰহণ কৰিছিল। বিদ্যালয়ৰ মুৰব্বীজনে সকলোকে শিকন প্ৰত্ৰি য়াত সহায় হোৱা সম্পদৰ অৰিহণা যোগোৱাত উদ্‌গণি যোগোৱাৰ উপৰি তেওঁলোকৰ অৰিহণাৰে উচিত শিকন প্ৰত্ৰি য়াৰ ফলদায়ক আঁচনিৰ সমাধান কৰিব পাৰে।

### ভিডিঅ' ঃ স্থানীয় সম্পদৰ ব্যৱহাৰ (Video: Using local resources)

## ত্রি য়া-কলাপ 4 ঃ বিদ্যালয়ৰ কৰ্ম্মচাৰীসকলক জড়িতকৰণ (Activity 4: Preparing for staff involvement)

আপুনি নিশ্চয় লক্ষ্য কৰিছে যে মিঃ কুমাৰে পোনছাতেই কৰ্ম্মচাৰীসকলৰ লগত সম্পদসমূহৰ উচিত ব্যৱহাৰৰ বিষয়ে আলোচনা কৰিছিল। বিদ্যালয়ৰ মুৰব্বী হিচাবে তেওঁ কৰ্ম্মচাৰীসকলৰ লগত আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ দায়িত্ব অৰ্পণ কৰিছিল। সম্পদসমূহৰ তালিকা প্ৰস্তুত কৰা আৰু তাৰ দ্বাৰা কামৰ শ্ৰেণাবিভাজন কৰাৰ বাবে যদি আপুনি ইতিমধ্যে কাৰোবাৰ সহায় লৈছে বা বিচাৰে তেনেহ'লে দেখিব আপোনাৰ কোনো এজন সহকৰ্ম্মীয়ে এই বিষয়ত আগভাগ লৈছে বা ল'ব। অৱশ্যে আপোনাৰ কিছুমান সহকৰ্ম্মীয়ে দৈনন্দিন কামৰ উপৰি এই দৰণৰ কামৰ বাবে উপযোগী নহ'ব পাৰে।

আপুনি বিচাৰি উলিওৱা সম্পদসমূহ পৰীক্ষা কৰি ২ নং ত্রি য়া-কলাপমতে B, C আৰু D ত পৰিছে নেকি চাওঁক। এতিয়া আপোনাৰ ডায়েৰী বহীখন জুকিয়াই তলত উল্লেখ কৰা প্র.নসমূহ চিন্তা কৰি তাৰ টোকা প্রস্তুত কৰক।

- সেইসমূহ সম্পদক ছাত্র-ছাত্রীৰ শিকন প্রত্রি য়াত উচিত ব্যৱহাৰৰ বাবে কনেকুৱা ব্যৱস্থা কৰাতো সঠিক হ'ব।
- তাৰ বাবে আপোনাৰ কৰ্ম্মচাৰীসকলৰ লগত কেনেধৰণৰ আলোচনাৰ প্রসঙ্গৰ উত্থাপন কৰিব।
- আপোনাৰ সহকৰ্মী আৰু কৰ্ম্মচাৰীসকলৰ যিসকলে দৈনন্দিন কামৰ উপৰি পৰিৱৰ্তন হোৱাতো নিবিচাৰে তেওঁলোকৰ পৰা আপুনি কেনেকৈ কাম আদায় কৰিব।

## আলোচনা **(Discussion)**

বিদ্যালয়ৰ এজন মুৰব্বী হিচাবে বিভিন্ন সম্পদৰ উচিত ব্যৱহাৰৰ বাবে আপুনি নিজেই আগভাগ লৈ শিক্ষক-কৰ্ম্মচাৰী সকলক বিভিন্ন উপদেশেৰে উৎসাহিত কৰিব লাগিব। তেওঁলোকৰ দ্বাৰা বিদ্যালয়ৰ ওচৰ পাজৰৰ পৰা কামত অহা সম্পদ আহৰণ কৰাৰ বাবে উৎসাহিত কৰাৰ লগতে সেইসমূহ সফলৰূপত ব্যৱহাৰ কৰাত উদ্‌গণি দিব লাগিব। যিকোনো শ্রেণীকোঠাৰ ভিতৰত আটাইতকৈ মুল্যবান সম্পদ হৈছে ছাত্র-ছাত্রীসকল, তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰে শিক্ষক-শিক্ষয়িত্রীয়ে অন্য ছাত্র-ছাত্রীকো শিক্ষাদানত সহায়ক হব পাৰে।

আপোনাৰ শিক্ষক কৰ্ম্মচাৰীসকলৰ দ্বাৰা বিভিন্ন ধৰণেৰে শিক্ষা দান কৰাৰ উদাহৰণ দাঙি ধৰাৰ কথাও চিন্তা কৰিবৰ পাৰে। ধৰক জীৱবিজ্ঞানৰ শ্রেণীত ছাত্র-ছাত্রীসকলক বিভিন্ন গছৰ পাত সংগ্রহ কৰিবলৈ দি সেইবিলাকৰ শ্রেণীবিভাজনৰ জ্ঞান দিব পাৰি নাইবা ইংৰাজীৰ শ্রেণীত ছাত্র-ছাত্রীসকলৰ দ্বাৰা খাদ্যৰ তালিকা আৰু উপকাৰিতাৰ বিষয়ে লিখি উলিয়াবলৈ উৎসাহিত কৰিব পাৰে। তাৰোপৰি শিক্ষক-শিক্ষয়িত্রীসকলে ইজনে সিজনৰ পৰা বা আন বিদ্যালয়ৰ শিক্ষকৰ পৰা কেনেকৈ ভাল জ্ঞান লাভ কৰিব পাৰে সেই বিষয়েও চিন্তা কৰিব পাৰে। সকলো মানুহৰ সহকৰ্ম্মীয়ে তেওঁৰ বা আন কাৰোবাৰ সহায়ত কৃতকাৰ্য্য হোৱা প্রত্যক্ষ কৰিলে নিজেও নতুন চিন্তাধাৰাৰ প্রতি আগ্রহী হৈ পৰে।

আপোনাৰ সহকৰ্মী আৰু কৰ্ম্মচাৰীসকলৰ লগত বিদ্যালয়ৰ সম্পদসমূহৰ ব্যৱহাৰৰ বিষয়ে আলোচনা আৰু শিকন প্রত্রি য়াত জড়িত কৰাবলৈ ১ নং সমলৰ তালিকাখন যথেষ্ট সহায়ক হ'ব। সেইদৰে ২ নং সমলৰ তালিকাখন হ'ব আলোচনা ফলপ্রসূ কৰাৰ বিষয়বস্তু।

## ত্রি য়া-কলাপ **5** ঃ সম্পদ ব্যৱস্থাপনাৰ বাবে সমূহ কৰ্ম্মচাৰীৰ লগত সভাৰ আয়োজন কৰা (Activity 5: Planning a session with your staff on resource management)

আপোনাৰ অধীনৰ সমূহ শিক্ষক-শিক্ষয়িত্রী আৰু কৰ্ম্মচাৰীৰ জৰিয়তে আপুনি বুজিব পাৰিব যে বিদ্যালয়ৰ চৌহদৰ (বিশেষকৈ ডাঙৰ চৌহদ) ভিতৰত কোনবিলাক সম্পদ আছে আৰু সেইবিলাকৰ সৎব্যৱহাৰ হৈছে নে নাই। বিদ্যালয়ৰ মুৰব্বী হিচাবে সেই সম্পদসমূহৰ কেনেধৰণৰ ব্যৱহাৰ হব বা হৈছে নে নাই ব্যাখ্যা কৰক। বিদ্যালয়ৰ মুৰব্বী হিচাবে সেই সম্পদসমূহৰ কেনেধৰণৰ ব্যৱহাৰ হ'ব বা হৈছে আৰু সেইখিনি শিকন প্রত্রি য়াত কেনেকুৱা সহায়ক হৈছে সেই বিষয়ে এক সম্যক ধাৰণা দিব লাগিব। এই সম্পৰ্কত আপুনি যে কৰ্ম্মচাৰীৰ পৰা সহায় বিচাৰিছে আৰু বিশেষকৈ মানৱ সম্পদৰ যে সহায় লাগে সেই বিষয়েও জাননী দিব লাগে। সেইবাবে আপোনাৰ সহকৰ্ম্মীৰ সৈতে এই বিষয়ে আলোচনাৰ বাবে নিমন্ত্রণ জনোৱাতো আপোনাৰ প্রথম কৰ্তব্য হ'ব।

আপোনাৰ ডায়েৰী বহীত লিপিবদ্ধ কৰক কেনেকৈ আপুনি এই আলোচনাৰ বাবে প্ৰস্তুতি চলাই। তাৰ পিছত আপুনি নিশ্চিত কৰক আপুনি এই বিষয়ত কি থিৰাং কৰিলে নাইবা পৰিৱৰ্ত্তী সময়ত আপুনি কেনেকৈ আগবাঢ়িব। তলত উল্লেখ কৰা দিশসমূহে আপোনাৰ আলোচনাত সহায়ক হব পাৰে বুলি অনুমান কৰিব পাৰি।

- ছাত্ৰ-ছাত্ৰীৰ শিকন প্ৰক্ৰি য়াৰ লগত সম্পৰ্ক ৰাখি সম্পদসমূহৰ সম্পূৰ্ণ বা অসম্পূৰ্ণ ব্যৱহাৰ সম্পৰ্কে আপোনাৰ ভাৱ প্ৰকাশ কৰক। আপোনাৰ বিচাৰধাৰা আৰু তাৰ সহায়ত আপুনি কি শিকিলে সেই বিষয়েও আলোচনা কৰক।
- সাধাৰণ সম্পদ আৰু শিকন প্ৰক্ৰি য়াৰ বাবে সহায়ক হোৱা সম্পদ সমূহৰ বিষয়ে এক ধাৰণা আগবঢ়াওক। লগতে কৰ্ম্মচাৰীসকলৰ জৰিয়তে বিদ্যালয়ত থকা সম্পদ সমূহক ভালৰে চালিজাৰি চাই বা বুজি লৈ উচিতাৰ্থত ব্যৱহাৰ হোৱাকৈ বিচাৰি উলিওৱা বাবে পৰামৰ্শও দিব পাৰে।
- বিদ্যালয়ৰ সমূহ সদস্যই একগোট হৈ অব্যৱহৃত বা অসম্পূৰ্ণভাৱে ব্যৱহৃত সম্পদ সমূহক শিকন প্ৰক্ৰি য়াৰ বাবে অন্য কোনো বিষয়ত ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ বাবেও আলোচনা বা চিন্তা কৰিব লাগিব।
- সমূহ সদস্যৰ জ্ঞান আৰু দক্ষতাৰ সহায়ত শিকন প্ৰক্ৰি য়াটোৰ মানদণ্ড উন্নত কৰাৰ বাবেও চিন্তা কৰিব লাগিব। ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও ছাত্ৰ-ছাত্ৰী, অভিভাৱক বা অন্য জ্ঞানীলোকো চামিল হ'ব পাৰে। ইয়াৰ বাবে সম্পদসমূহৰ ব্যৱহাৰ আৰু কাৰ্য্যত্ৰ মনিকাৰ এক নিৰ্দিষ্ট সময়সূচীত নিৰ্দ্ধাৰণ কৰিব পাৰি। অৱশ্যে ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শিকন শিক্ষণ প্ৰক্ৰি য়াৰ লগত সংগতি ৰাখিব লাগিব।

সম্পদসমূহৰ উচিত ব্যৱহাৰৰ বাবে নিৰ্দিষ্ট সময়সূচীমতে কাম কৰাৰ বাবে আপুনি কোনো ইচ্ছুক ব্যক্তি ৰো সহায় ল'ব পাৰে।

## আলোচনা **(Discussion)**

এই ধৰণৰ কাৰ্য্যসূচী তৈয়াৰ কৰিব পাৰিলে অৱশ্যেই ভাল ফল পোৱাটো আশা কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলৰ দৰে কৰ্ম্মচাৰীসকলকো সক্ৰি য় কৰি ৰাখিবৰ বাবে আপুনি সঠিক জ্ঞান দিয়াৰ লগতে উচিত নিৰ্দেশ দিয়াতো আপোনাৰ বাবে প্ৰয়োজনীয়। এই প্ৰক্ৰি য়াত কোনো সালসলনি বা নতুনত্ব আনিবলৈ হ'লে আপুনিও সক্ৰি য় ভূমিকা লোৱাটো প্ৰয়োজনীয়। কোনো নতুন প্ৰক্ৰি য়াৰ কথা সাধাৰণ মানুহে বুজি উঠাত আপোনাৰ সহায় হ'লে তেওঁলোকে ইস্ততঃ কৰাৰ পৰিৱৰ্তে বেছিকৈ উৎসাহত কৰিব পাৰে। তেওঁলোকেও নিশ্চয় উৎসাহিত হ'ব। এই ক্ষেত্ৰত ২ নং সমলৰ তালিকাখন কামত লগাব পাৰে। শিকন প্ৰক্ৰি য়াৰ বাবে উপযুক্ত সম্পদ সমূহৰ দ্বাৰা বহল ভিত্তিত উপকৃত হোৱাৰ পোনপটীয়া উপায় হ'ল কিছুমান উদাহৰণমূলক দৃষ্টান্ত যেনে ঘটনা অধ্যয়ন ২। সেয়া হ'ল এক সাক্ষাৎকাৰ য'ত বিদ্যালয়ৰ মুৰব্বীজনৰ পৰা জানিবলৈ চেষ্টা কৰা হৈছে কেনেকৈ তেওঁ শিক্ষামূলক ভ্ৰমণক শিকন প্ৰক্ৰি য়াত যথেষ্ট সহায়ক হয়। কিন্তু তাৰ বাবে সাজু হোৱা আৰু যুগুতাই উলিয়াবলৈ যথেষ্ট কষ্ট আৰু সময়ৰ প্ৰয়োজনৰ কথাও দোহাৰে। এই ধৰণৰ ভ্ৰমণৰ বাবদ যাতায়তৰ খৰচ বা অন্যান্য মাচুলৰ কথাটোও চিন্তাৰ কাৰণ।



**চিত্ৰ-২** ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ প্ৰক্ৰি য়াৰ উন্নয়নৰ বাবে বিদ্যালয়ৰ সম্পদ ব্যৱহাৰৰ প্ৰস্তুতি

## ঘটনা অধ্যয়ন 2 ঃ শিক্ষামূলক ভ্ৰমণ সম্পৰ্কে বিদ্যালয়ৰ মুৰব্বীৰ লগত সাক্ষাৎকাৰ (Case Study 2: Interview with a school leader about introducing field trips)

সাক্ষাৎলওঁতা ঃ আপুনি বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক বছৰত দুবাৰকৈ শিক্ষামূলক ভ্ৰমণলৈ লৈ যায়। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এনেধৰণৰ ভ্ৰমণে কেনেধৰণৰ প্ৰভাৱ পেলায়।

মুৰব্বী ঃমোৰ অভিজ্ঞতাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা পদ্ধতিটো কেৱল কিতাপৰ ভিতৰতেই আৱদ্ধ থাকে। তেওঁলোকে জীৱন্তৰূপত সেইবোৰ অনুধাৱন কৰিব নোৱাৰে। তেওঁলোকে জানে যে চিঠিৰ জৰিয়তে মানুহে যোগাযোগৰ সুবিধা লয় কিন্তু তেওঁলোকে কেতিয়াও চিঠি লিখি পোৱাই নাই। কোনোদিন ডাকঘৰটো ভৰি দিয়া নাই। অথচ ডাকঘৰটো বিদ্যালয়ৰ ওচৰতে আছে। ডাঙৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে জীৱানু আৰু তাৰ দ্বাৰা আক্ৰান্ত হোৱা কথা শিকিছে। কিন্তু বহুতেই নাজানে যে তেওঁলোকৰ ওচৰতেই থকা চহৰখনৰ পৰীক্ষাগাৰলৈ চিকিৎসক সকলে তেজ বা অন্যান্য নমুনা পৰীক্ষা কৰিবলৈ পঠিয়ায়। সেইবাবেই মই এই কথাটো অনুভৱ কৰিছো আৰু শিক্ষক শিক্ষয়িত্ৰীসকলক কৈছো যে ছাত্ৰ-ছাত্ৰীসকলে এইসমূহ জনাতো নিতান্ত প্ৰয়োজনীয়।

সাক্ষাৎলওঁতা ঃশিক্ষক-শিক্ষয়িত্ৰীসকলে আপোনাৰ কথাত একমতনে?

মুৰব্বী ঃ হয়, তেওঁলোকে অৱশ্যে মোৰ পৰা জানিব বিচাৰিছিল কেনেকৈ ইমানবোৰ ছাত্ৰ-ছাত্ৰীক তেওঁলোকে লৈ যাব আৰু পৰীক্ষাগাৰত তেওঁলোকে সঁহাৰি পোৱাৰ সম্ভাৱনা কিমান। তাৰ পিছত মই সকলো শিক্ষক-শিক্ষয়িত্ৰীক প্ৰত্যেক শ্ৰেণীৰ বাবে কিছু শিক্ষামূলক ভ্ৰমণৰ বাবে উপদেশ দিছিলো আৰু লগতে অভিবাৱক সকলৰ লগতো এই বিষয়ে আলোচনা কৰিছিলো।

সাক্ষাৎলওঁতা ঃ এই ক্ষেত্ৰত অভিভাৱকসকলৰ প্ৰয়োজন কেনে ধৰণৰ?

| | |
|---|---|
| মুৰব্বী | ঃ এই ধৰণৰ প্ৰক্ৰিয়াৰ বাবে আমাৰ সামৰ্থ সীমিত। সেইবাবে অভিভাৱকসকলৰ সহযোগিতাৰ প্ৰয়োজন। তেওঁলোকৰ এজনৰ বাছ আছে আৰু তেওঁ আমাৰ বাবে বাছখন দিছে আৰু আন কিছু অভিভাৱকে আৰ্থিকভাৱে আমাক সহায় কৰিছে। |
| সাক্ষাতকাৰক | ঃ তাৰ মানে ভ্ৰমণসূচী সম্পাদন নিশ্চয়কৈ সহজ হৈ গৈছে? |
| মুৰব্বী | ঃ আচলতে প্ৰায় সকলো কামেই সহজ যেতিয়া সঠিক সিদ্ধান্ত লোৱা যায়। কিন্তু আমি ইয়াৰ বাবে যথেষ্ট গুনাগথা কৰিছিলো। শিক্ষকসকলে বিভিন্ন অনুষ্ঠানলৈ গৈ ইয়াৰ বাবে অনুমতি বিচাৰিছিল। ইয়াৰ কাৰণে প্ৰয়োজনীয়তাও ভালদৰে বুজাই দিছিল। আমি ছাত্ৰ-ছাত্ৰীসকলকো এই বিষয়ে বিতংভাৱে অৱগত কৰাৰ কথা চিন্তা কৰিছিলো। তাৰ বাবে কেনেকৈ কিছুমান প্ৰশ্ন তৈয়াৰ কৰা হ'ব আৰু সেই প্ৰশ্নৰ উত্তৰৰ জৰিয়তে পোৱা তথ্যসমূহৰ পৰা আমি কেনেকৈ উপকৃত হ'ম। |
| সাক্ষাৎলওঁতা | ঃমই লক্ষ্য কৰিছো যে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বহীত কিছুমান অট্টালিকাৰ ছবি আঁকিছে। |
| মুৰব্বী | ঃকিছুদিন আগতে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে কিছু দূৰৈত নতুনকৈ ঘৰ সাজি থকা ঠাইলৈ গৈছিল আৰু ঘৰ সজাৰ বাবে কেনেকৈ মীটি খান্দি ঘৰৰ ভেঁটি তৈয়াৰ কৰা হয় সেই সম্পৰ্কে বহুতো জ্ঞান লাভ কৰিছিল। তাৰ পিচত ভেঁটি তৈয়াৰ কৰা মানুহজনক মাতি পঠিয়াইছিলো আৰু তেওঁ তেওঁৰ লগত স্থপতিবিদজনকো লৈ আহিছিল। ছাত্ৰ-ছাত্ৰীসকলক ভেঁটি তৈয়াৰ কৰাৰ বাবে তেওঁলোকে কেনেকৈ নিৰ্দ্দিষ্ট ঠাই খান্দি উলিয়াই, কেনেধৰণৰ মাটিত ঘৰ সাজিবলৈ সহজ আৰু কেনেধৰণৰ মাটিত ঘৰ সজাতো কষ্টকৰ সেই বিষয়ে কষ্টকৰ। ছাত্ৰ-ছাত্ৰীসকলেও বিভিন্ন প্ৰশ্নেৰে ডাঙৰ চহৰৰ বিশাল অট্টালিকা আৰু তেওঁলোকে বাস কৰা সৰু সৰু ঘৰবিলাকৰ মাজৰ প্ৰভেদসমূহ জানিব বিচাৰিছিল। স্থপতিবিদজন এই কথাত বেচ উৎসাহিত হৈছিল। পিচদিনা এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বাবে বহুতো ঘৰৰ ছবি থকা এখন কেলেণ্ডাৰ তথা দিনবাৰৰ তালিকা লৈ আহি দেখুওৱাত ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকৰ মনে বিচৰা কিছুমান ঘৰৰ ছবি আঁকি উলিয়াইছিল। সেইদৰেই তেওঁলোকে মাধ্যাকৰ্ষণ শক্তি, ওজন ইত্যাদিৰ বিষয়ে ভালদৰে জ্ঞান লাভ কৰাৰ সহায়ক হৈছিল। |

## ক্ৰিয়া-কলাপ 6 ঃ মানৱ সম্পদৰ ওপৰত বিচাৰ-বিবেচনা (Activity 6: Reflecting on people as a resource)

মানুহক বিভিন্ন ধৰণে কেনেকৈ সম্পদ হিচাবে ব্যৱহাৰ কৰিব পাৰি সেই কথাটো ঘটনা অধ্যয়ন ২ ত দেখুৱাইছে। তালিকাখন চাই এনে দিশবোৰ ভালদৰে জুকিয়াই লওক।

- সপ্তম মান শ্ৰেণীৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে ঘৰ সজাৰ বিষয় কেনেদৰে জ্ঞান লাভ কৰিলে সেইটো ভাবি চাওক। যিসকল লোকৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলে ঠাইতেই শিকিবলৈ সুবিধা পালে তেওঁলোকৰ এখন তালিকা প্ৰস্তুত কৰক। লগতে ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়ত অৰিহণা যোগালে তাকো লিপিবদ্ধ কৰক।
- কৰ্ম্মচাৰী, অভিভাৱক আৰু স্থানীয় লোকৰ যিসকলে এতিয়াও এই বিষয়ত জড়িত হোৱা নাই, তেওঁলোক যে শিকন কাৰ্যত সহায়ক হ'ব পাৰে সেই বিষয়ে চিন্তা কৰক। এই ক্ষেত্ৰত বিদ্যালয়ত শিকোৱা কোনো বিষয়বস্তু কোনজন লোকে ভালদৰে বুজাব পাৰিব সেইটো আপুনি ভালদৰে বিবেচনা কৰিব পাৰিব।

- এই ক্ষেত্ৰত আপোনালৈ আহিব পৰা বাধা বা অসুবিধা কেনেকুৱা হ'ব পাৰে আৰু যদি আহে সেইবোৰ কেনেদৰে মোকাবিলা কৰিব?

আলোচনা (Discussion)

ঘটনা অধ্যয়ন ২ ৰ লগত সঙ্গঁতি ৰাখি ওপৰত উল্লেখ কৰা তালিকা খন জুকিয়াই চাওঁতে আপুনি নিশ্চয় অৱগত হৈছে যে আপোনাৰ কৰ্ম্মচাৰীৰ লগত অন্যান্য লোকসকলৰ অন্তৰ্নিহিত গুণসমূহ আপুনি ভালদৰে ব্যৱহাৰৰেই কৰা নাই। অকল সেয়াই নহয় অভিভাৱক আৰু স্থানীয় লোকসকলেও সময় দি, আৰ্থিকভাৱে বা তেওঁলোকৰ অভিজ্ঞতা আপোনাৰ বাবে সহায়ক হ'ব পাৰে। সকলো সমূহীয়া কাম আৰম্ভ কৰোতে বহুতো সময়ৰ প্ৰয়োজন হয় আৰু বহুতো অসুবিধাও আহি পৰে। কিন্তু আপোনাৰ একাগ্ৰতা সম্পৰ্কে যেতিয়া মানুহ অৱগত হ'ব তেতিয়া দেখিব বহুতো লোকে সেয়াই আপোনাক সহায় কৰিব আহিছে। দেখিব যে আপুনি যিকোনো কামেই সহজে কৰিব পৰা হৈ যাব। আপুনি নিশ্চয় এইটোও বিচাৰি পাইছে যে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিজৰ বিষয়ৰ উপৰিও বিভিন্ন জ্ঞান আৰু দক্ষতা আছে; অন্যান্য সংগঠনৰ লগত জড়িত হোৱা বিভিন্ন হেঁপাহ আছে আৰু লগতে আৱশ্যকীয় সম্পৰ্ক আৰু অভিজ্ঞতাও আছে যিবিলাকৰ সহায় ল'ব পাৰি। আপুনি তেওঁলোকৰ এইটোও উনুকিয়াই থ'ব যে তেওঁলোকৰ বিষয়ত শিকন প্ৰক্ৰিয়াৰ বাবে আন কিহবা নাইবা কাৰোবাৰ সহায় পালে ভাল হ'ব নেকি লগতে তেওঁলোকে কোনো উপদেশ বা অৰিহণা যোগাব পাৰে নেকি। এই ধৰণৰ আলোচনা বিদ্যালয়ৰ প্ৰতিখন সভাতেই উপস্থাপন হোৱাতো জৰুৰী। এই ধৰণৰ উদাহৰণ আৰু কাৰ্যপন্থাৰ জৰিয়তে আপুনি হয়তো আশ্বস্ত হৈছে যে আপোনাৰ শিক্ষক-কৰ্ম্মচাৰীসকলে বিদ্যালয় চৌহদৰ বাহিৰৰ পৰাও লাগতিয়াল সম্পদৰ বিচাৰ কৰি আহৰণৰ চেষ্টা থাকিব।

## 4 সম্পদ সমূহৰ ব্যৱহাৰৰ বাবে পৰিকল্পনা (4 Planning for the use of resources)

সকলো মোকাবিলা কৰাৰ অন্তত আপোনাৰ কৰ্ত্তব্য হ'ব কেনেকৈ সকলো সম্পদৰ সঠিক ৰূপত উচিত ব্যৱহাৰ কৰিব পাৰি। তাৰ পৰিকল্পনা কৰা আৰু তাৰ দ্বাৰা শিক্ষক-ছাত্ৰৰ মাজত শিকন-শিক্ষণ প্ৰক্ৰিয়াটোত কিমান ভাল প্ৰভাৱ পেলাই তালৈ লক্ষ্য কৰা। প্ৰতিটো সম্পদকেই একে ধৰণে ব্যৱহাৰ কৰা অথবা সেই প্ৰণালীটো প্ৰতি বছৰে কৰিবলৈ গলেও কামত নাহিব পাৰে উদাহৰণস্বৰূপে, ২ নং ঘটনা অধ্যয়নৰ মাধ্যেমেৰে শিক্ষামূলক ভ্ৰমণ বা পাঠ্যক্ৰমত থকা কোনো বিষয়ৰ ওপৰত শিক্ষা প্ৰদানৰ কথা উনুকিয়াব পাৰি। এইক্ষেত্ৰত আপোনাৰ কৰ্ম্মচাৰীসকলে বিৰত্ত হৈ থোৰো-গোৰো কৰিব পাৰে। এই উদাহৰণৰ জৰিয়তে বিদ্যালয়ৰ মুৰব্বী এজনে কেনেকৈ সুবিচাৰ কৰিব পাৰে তাৰ এক ধাৰণা আগবঢ়োৱা হ'ল। এতিয়া আপুনি আপোনাৰ বিদ্যালয়ৰ লগত সঙ্গঁতি ৰাখি আপোনাৰ কাৰ্য্যব্যৱস্থাৰ বাবে সাজু হওক।

### ক্ৰিয়া-কলাপ 7 ঃ আপুনি কেনেকৈ লক্ষ্য স্থিৰ কৰিব (Activity 7: Imagining your end goal)

পৰিকল্পনা ভাল হ'লে ভাল ফল পোৱাতো স্বাভাৱিক। আপোনাৰ শিকন দিনলিপিত (ডায়েৰী) খনত লিপিবদ্ধ কৰা অব্যৱহৃত সম্পদসমূহৰ দ্বাৰা আপুনি, শিক্ষক-কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে লগ লাগি সুপৰিকল্পিত শিকন-শিক্ষণ প্ৰক্ৰিয়াত ব্ৰতী হৈ থকা এখন কাল্পনিক চিত্ৰ মনলৈ আনক। সেই চিত্ৰখন আপোনাৰ শিকন দিনলিপিত বিৱৰি লিখি লওক।

উদাহৰণস্বৰূপে, আপুনি কল্পনা কৰিব পাৰে যে ছাত্ৰ-ছাত্ৰীসকলে তেওঁ ককাক-আইতাকৰ পৰা শুনা সাধু কথা বিলাক সামৰি এখন পুথি তৈয়াৰ কৰিব। তাৰ দ্বাৰা ইজনে সিদনৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে জানিব পাৰিব। নাইবা ছাত্ৰ-ছাত্ৰীসকলে টিনৰ পাত্ৰৰে বাদ্যযন্ত্ৰ তৈয়াৰ কৰিব আৰু বিভিন্ন শব্দৰ আনন্দ ল'ব। যিয়েই নহওক আপুনি কেৱল এই ক্ষেত্ৰত নিশ্চিত হ'ব লাগিব যে সম্পদ যিয়েই নহওক সকলোবোৰেই যেন শিকন প্ৰক্ৰিয়াৰ লগত সাঙোৰ খাই আছে। এই ধৰণৰ চিন্তা ধাৰাৰ বিষয়ে আপুনি ওচৰতে পোৱা লোকসকলৰ

লগত আলোচনা কৰিলে সকলোৱে আপোনাক পৰিকল্পনাত সহায় কৰিব।

## আলোচনা (Discussion)

ই হয়তো এক বিশেষ ধৰণৰ দৃশ্যপট। আপুনি গোটেই বিদ্যালয়খনক সামৰি নাইবা বিশেষ বিষয়বস্তুৰ ওপৰত লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে। সহজতে লক্ষ্যত উপনীত হোৱাৰ বাবে ২ নং ঘটনা অধ্যয়নত উল্লেখ কৰা মুৰব্বীজনে শিক্ষামূলক ভ্ৰমণৰ জৰিয়তে কৃতকাৰ্য্য হোৱাৰ দৰে আপুনিও কোনো নতুন উপায় উদ্ভাৱন কৰিব পাৰে।

এলমোৰ (১৯৭৯) ৰ মতে কোনো লক্ষ্য স্থিৰ কৰি পৰিকল্পনা কৰাটো বিপৰীতমুখী পৰিকল্পনা। এই ধৰণৰ পৰিকল্পনাৰ বাবে প্ৰকল্পনাৰ অংশীদাৰসকলৰ দক্ষতা, মনোভাৱ আৰু অভিৰোচনৰ বিষয়ে চিন্তা কৰিব লাগিব। এইধৰণৰ পৰিকল্পনাৰ বাবে এজন বিশেষ মুৰব্বীয়ে অভ্যাগতৰ কাৰ্যসূচী প্ৰৱৰ্তনৰ দ্বাৰা শিকন প্ৰত্ৰি য়াৰ পৰিকল্পনা থকাৰ বিষয়ে অৱগত হ'ব পাৰে। তলত উল্লেখ কৰা টোকাসমূহ বিবেচনা কৰক।

**লক্ষ্যঃ** অভ্যাগতৰ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিভিন্ন বৃত্তিৰ ওপৰত নাইবা পাঠ্যত্ৰ মৰ বিষয়বস্তুৰ ওপৰত বক্ত ব্য ৰাখিবলৈ অন্ততঃ ছয়জন অভ্যাগতক বিদ্যালয়লৈ

**জড়িত অংশীদাৰসকল ঃ**

১. শিক্ষক-শিক্ষয়িত্ৰী
২. ছাত্ৰ-ছাত্ৰী
৩. অভিভাৱক
৪. বিদ্যালয়ৰ কৰ্ম্মচাৰী
৫. অন্যান্য ব্যক্তি বিশেষ



এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীৰ ভূমিকা হ'ব ঃ

- পাঠ্যত্ৰ মৰ লগত জড়িত বৃত্তিৰ ধৰণ চিনাক্ত কৰা
- নিমন্ত্ৰিত অভ্যাগতসকলৰ লগত পাঠ্যত্ৰ মত কি আছে সেই সম্পৰ্কে কি আলোচনা কৰিব লাগিব ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁলোকে কি ভাৱে বিনিময় কৰিব।
- বিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে নিমন্ত্ৰিত অভ্যাগতসকলৰ পৰা কি নতুন কথা শিকিব খোজে সেই চিন্তা-চৰ্চা কৰিবলৈ প্ৰস্তুত কৰা।
- নিমন্ত্ৰিত অতিথি সকলক ছাত্ৰ-ছাত্ৰীয়ে ধন্যবাদ জনোৱাৰ কৌশল আয়ত্ব কৰোৱা।
- সমগ্ৰ প্ৰত্ৰি য়াটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজগুণে কিছু কথা শিকাৰ উদ্‌গণি যোগোৱা।



এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ

- নিমন্ত্ৰণৰ বাবে উপযুক্ত ব্যক্তি বচাৰি উলিওৱাত সহায় কৰা
- তেওঁলোকে নিজৰ জ্ঞানৰ বিষয়ে নিশ্চিত হৈ নিমন্ত্ৰিত লোকৰ পৰা কি জ্ঞান লাভ কৰিব খুজিছে সেইটো নিৰ্ধাৰণ কৰা
- নিমন্ত্ৰিত অভ্যাগতসকলক উপযুক্ত ভাৱে অভ্যৰ্থনা কৰা
- নিমন্ত্ৰিতসকলৰ পৰা পোৱা জ্ঞান কামত লগোৱাৰ লগতে নিজৰ বন্ধু-বান্ধৱী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলোচনা কৰা।

বিদ্যালয়ৰ সকলো কৰ্মচাৰী আৰু অংশীদাৰসকলে সৰ্বাত্মকভাৱে সমলসমূহ ব্যৱহাৰ কৰা প্ৰয়োজন। কেৱল মাত্ৰ সমল ব্যৱহাৰ ক্ষেত্ৰততেই নহয়, এইবোৰৰ মেৰামতি আৰু সমল সমূহ সুৰক্ষিত কৰাতো অতিকৈ দৰকাৰী । উল্লেখিত চিন্তাধাৰাত নিমন্ত্ৰিতসকল বিদ্যালয়লৈ অহাটো গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে সকলো সহকৰ্ম্মী (কেৱল শিক্ষক সকলেই নহয়) নিমন্ত্ৰিত লোকসকল অহাৰ কাৰণ সম্পৰ্কে সজাগ হৈ থাকে। নিমন্ত্ৰিত সকলক ভলদৰে সম্ভাষণ জনোৱা হয় যাতে তেওঁলোকে বিদ্যালয়খনৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলে। নিমন্ত্ৰিত সকল মূল্যবান সমল। সেয়ে তেওঁলোকক শাৰীৰিক সমল হিচাবে যথেষ্ট ভাল ব্যৱহাৰ কৰা হয়। বিদ্যালয়ে পৰ্যাপ্ত পৰিমাণে পাঠ্যপুথি আৰু অন্যান্য সমলবোৰ কি ভাবে পৰিচালনা কৰিব সেই বিষয়ে ঘটনা ৩ অধ্যয়ন অধ্যয়ন বিবেচনা কৰিছে।

## ঘটনা অধ্যয়ন 3 ঃ যথেষ্ট - কিতাপ দানৰ ব্যৱস্থা (Case Study 3: Making the most of a donation of books)

বিদ্যালয়খনে ১০০ খনকৈ কিতাপ দান হিচাপে পাইছিল। কাৰ্য্যলয়ত কিতাপ সমূহ বান্ধিবৰ বাবে এমাহ সময় লাগিছিল। বিদ্যালয়ৰ প্ৰধানে সহযোগীৰ লগত সমলসমূহৰ ব্যৱহাৰ সম্পৰ্কে নিজৰ ধাৰণা ব্যক্ত কৰিবলৈ এখন সভা আয়োজন কৰিছিল। কিতাপ যথেষ্ট কিন্তু পঢ়োতা নায়, তেওঁৰ বাবে ই বৰ লাজৰ কথা এইটো তেওঁৰ যে ২৫ খনকৈ কিতাপ প্ৰত্যেক শ্ৰেণীত বছৰটোৰ প্ৰত্যেকটো মাহত প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ কিতাপ বিতৰণ কৰিব লাগিব।

শিক্ষকসকলে এইটো এটা ভাল ধাৰণা বুলি সন্মতি দিছিল। অনিচ্ছা স্বত্বেও ই লাহে লাহে গৃহীত হৈছিল। বিদ্যালয়ৰ প্ৰধানে তেওঁৰ শিক্ষকসকলৰ অনিচ্ছাক নেওচি কৈছিল যে চিন্তাৰ অনুভূতি আৰু অধ্যয়নৰ সুবিধাবোৰ থকা কিতাপ বিলাক হেৰালে তেওঁলোক দায়ী হ'ব লাগিব। বিদ্যালয়ৰ প্ৰধানে সভাত কৈছিল যে ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰত্ৰি য়াৰ যোগেদি তেওঁলোকৰ ধাৰণা সমূহ আগবঢ়াব লাগিব।

পিছৰ সপ্তাহত বিদ্যালয়ৰ প্ৰধানে সমস্যাটো সমাধানৰ বাবে কোন কোন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পছন্দ অনুসাৰে আহিব বিচাৰে এই সম্পৰ্কে এখন জাননী দিছিল। তাৰে প্ৰভাৰ হিচাপে ছাত্ৰীৰ এটা দলে তেওঁৰ ওচৰলৈ পৰিকল্পনা সহ কাম কৰিবলৈ আহে। শিক্ষকসকলৰ লগতো আলোচনা কৰে। কাৰ্য্যলয়ৰ দুজন সদস্যই স্ব-ইচ্ছাৰে ছাত্ৰীসকলক সহায় কৰে। তেওঁলোকে স্থানীয় ছপাশালৰ লগত কথা পাতিলে আৰু অতি সোনকালে বিদ্যালয়ৰ কাৰ্য্যলয়লৈ কিছুমান লেবেল কিতাপত লগাবৰ বাবে পঠিয়াই দিছিল। ছাত্ৰ-ছাত্ৰীকইগৰাকীয়ে কাৰ্য্যলয়ৰ

সদস্য হিচাপে থকা শিক্ষকসকলৰ লগত কিতাপবিলাকৰ সূচী চাৰিখন টোকা বহীত প্ৰস্তুত কৰি লয়। বিদ্যালয়ৰ প্ৰধান জনে সমাধানৰ প্ৰক্ৰি য়াটোৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰাতঃসভাত সজোৰ ঘোষণা কৰে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ হাতত কিতাপসমূহ অৰ্পণ কৰি দিয়ে যাতে তেওঁলোকে তেওঁলোকৰ উপহাৰ হিচাপে বিচাৰি ল'ব পাৰে। তেওঁ কৈছিল, প্ৰকৃতাৰ্থত প্ৰথম ২৪ জন ছাত্ৰ-ছাত্ৰীয়ে যিসকলে কাম কৰিছিল তেওঁলোকে প্ৰথমে পঢ়িবলৈ পাইছিল। এমাহৰ পিছত তেওঁলোকে কিতাপবোৰ পঢ়ি কি ভাল পালে চমুকৈ উল্লেখ কৰি কিতাপখনৰ সম্পৰ্কে লিখি ঘুৰাই দিব লাগিব। কিন্তু সাধুটো উল্লেখ নকৰাকৈ আতৰিব নোৱাৰিব। প্ৰত্যেক মাহে কিছু সময় ছাত্ৰ-ছাত্ৰীসকলে কিতাপখনৰ বিষয়ে আন ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতে । শিক্ষকজনে প্ৰত্যেকৰে নাম আৰু তাৰিখ লিখি পিছৰ ২৪ জন ছাত্ৰ-ছাত্ৰীক কিতাপবোৰ 'ইচু' কৰিছিল। এজন ছাত্ৰই লাজ লাজ বোধেৰে হাত ডাঙি সুধিছিল যে এখন কিতাপ হেৰালে বা ঘুৰাব নোৱাৰিলে কেনে পৰিণতি হ'ব। বিদ্যালয়ৰ প্ৰধানজনে কৈছিল যে তেওঁ শিক্ষকসকলৰ লগত আলোচনা কৰিছে আৰু বিদ্যালয় লাইব্ৰেৰিয়ানৰ লগতো কথা পাতিছ। তেওঁ দেখিছে যে বেছিভাগ পুঠিভঁৰালতে হেৰোৱা কিতাপৰ সলনি টকা দিয়ে। যদি নষ্ট হয় মেৰামতিৰ বাবেও টকা দিয়ে আৰু দেৰিকৈ ঘূৰাই দিলে ফাইন ভৰিব লগা হয়। ছাত্ৰ-ছাত্ৰীসকলে কথাষাৰ গ্ৰহণযোগ্য বুলি মতামত দিছিল আৰু যথাস্থান প্ৰক্ৰি য়াটো গ্ৰহণ কৰি লৈছিল।

বিদ্যালয়ৰ প্ৰধানে দুটা বছৰৰ ভিতৰত যথেষ্ট সংখ্যক কিতাপ পাবৰ বাবে ব্যৱস্থা কৰিছিল। অধ্যয়ন কাৰ্য এটা সাধাৰণ অভ্যাসলৈ পৰিণত হৈছিল। শ্ৰেণীভিত্তিক গ্ৰন্থাগাৰ

## ক্ৰি য়া-কলাপ 8 ঃ সমল ব্যৱস্থা উন্নতিকৰণত প্ৰতিক্ৰি য়া (Activity 8: Reflecting on developing resource systems)

এই বিষয় ভিত্তিক অধ্যয়নত বহলভাবে এটা প্ৰক্ৰি য়া সকলো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ সমৰ্থনত প্ৰক্ৰি য়াশীলভাবে ব্যৱহৃত হ'ব পৰাকৈ এঠাইত সুনিশ্চিত হোৱাতো প্ৰয়োজন আছিল। নিম্ন প্ৰশ্নোত্তৰ দ্বাৰা বিষয়ভিত্তিক অধ্যয়নত তুমি কি শিকিলা এই বিষয়ে কিছুসময় চিন্তা কৰা ।

তোমাৰ নিজৰ প্ৰসঙ্গত সমলবোৰ বিতৰণ আৰু শিকাৰ বাবে কাৰ্যকাৰী হোৱকৈ কি প্ৰক্ৰি য়া উল্লেখ কৰিবা? প্ৰক্ৰি য়াটো বৰ্ত্তমান সময়ত প্ৰযোজ্য নে? প্ৰক্ৰি য়াটো আগবঢ়াই নিবলৈ তুমি কি ব্যৱস্থা গ্ৰহণ কৰিবা?

- কিতাপ পঢ়াৰ অভ্যাস গঠনৰ প্ৰক্ৰি য়াটো সফল কৰাত বিদ্যালয়ত মূৰব্বীৰ নেতৃত্বৰ কোনবোৰ দিশে সম্ভৱ কৰিলে?
- আপুনি মূৰব্বী হোৱা হ'লে এনে সমলবোৰ মূল্য সম্পৰ্কে কি মতামত দিলেহেতেন?
- এনেদৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিলাই দিব পৰা আপোনাৰ বিদ্যালয়ত কিবা সমল আছেনে? প্ৰক্ৰি য়াটো কেনেকৈ উন্মত কৰিব?

### আলোচনা (Discussion)

কিতাপবিলাকৰ ৩ নং বিষয়ভিত্তিক অধ্যয়নে এটা বহলভাবে ব্যৱহিত সমল বিদ্যালয়ত ব্যৱহাৰ হোৱাৰ বাবে আৰু ইয়াক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন হৈছিল। এইটো এটা ভাল উদাহৰণ যে সহযোগী পৰিকল্পনাত সমল পৰিচালনাত সমস্যাটো সমাধানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল কি দৰে জড়িত হৈ পৰিছিল। তোমালোকৰ সমাধান বিলাকৰ লগত শিক্ষক আৰু ছাত্ৰক পৰিবৰ্তিত কৰাৰ এটা দক্ষতা আছে। বিদ্যালয়ৰ মুৰব্বীয়ে এটা পুঠিভঁৰালৰ প্ৰক্ৰি য়া প্ৰতিষ্টা কৰিছিল যত দাতা সকলে যথেষ্ঠ পুথি আগবঢ়াবলৈ উৎসাহিত হৈছিল। সেই হিচাপে ই আছিল ছাত্ৰ-ছাত্ৰীসকলে সম্পদবোৰ ভালদৰে ব্যৱহাৰ কৰি লাভান্বিত হৈছিল। ই অতি গুৰুত্ব পূৰ্ণভাৱে আছিল প্ৰতিমাহৰ বাবে ছাত্ৰ-ছাত্ৰীৰ বাবে নিদ্ধাৰিত ভাবে কৰি দিয়া হৈছিল কিতাফ সংক্ৰান্তীয় আলোচনাৰ বাবে কাৰণ পাঠ্যক্ৰমৰ এটা বিষয় হিচাপে আৰু আলোচনাৰ যোগেদি অভিক্ষতা সমূহ সমানেআলোচনা কৰিছিল, কিতাপ সমূহে শিকাৰ ক্ষেত্ৰত

| |
|---|
| যথেষ্ট চিহ্নিত কৰে যাৰ বাবে তেওঁলোকে ধাৰোৱা হৈ পৰে। |

# 5 সম্পদ বিলাকৰ বাবে অৰ্থৰ প্ৰয়োজন (5 Resources that need funding)

এই গোটটোত তোমাক মুলত ঃ সম্পদসমূহ যোগান ধৰা হৈছে ইতিমধ্যে যিবোৰ এলেকাৰ বিদ্যালয় হা মুকলিভাৱে পাব পৰা এলেকা বা জাতি ।তাত যেনেকুৱাই নহঁওক সময়ত পৰিবহনৰ (to pay) বাবে উপকাৰ প্ৰয়োজন, ফিজ, সৰঞ্জাম, সজুলি বা Tools, এইটো এতা নতুন আইটেম বা বিষয় হ'ব পাৰে বা নতুন সম্পদসমূহ মেৰামতিৰ বকৰে।

এইটো এটা বিদ্যালয়ৰ মূৰব্বীসকলৰ প্ৰত্যাহ্বান যত দুখীয়া জাতি আছে। (Community) যত (affluent) আছে অভিভাৱকৰ, দাতাৰ, লাভদায়কৰ তাত সুবিধা আছে টকা পোৱাৰ সম্পদবিলাকৰ বাবে। কিছুমান বিদ্যালয় আৰু সমিতিবিলাকে যেনে বিদ্যালয় পৰিচালনা সমিতি দিঘলীয়া সময়ৰবাবে প্ৰয়োজন হ'ব কেৱল মাত্ৰ (Seeking নিচাই নহয় কিন্তু অৰ্থৰ যথেষ্ট optimal ব্যৱহৃিত অৰ্থৰ) নিদিষ্ট যিমান দূৰলৈকে ব্যৱহাৰ কৰিব পৰা যায়।

টকাবোৰ নিদিষ্ট প্ৰকল্পৰ বাবে দিয়া হয় পুঠিভঁৰাল, বাগিছাৰ সজুলি, ফলাফলক আৰু ৰং (paint) এইয়া দেখা যায় চলিত অনুসৰি দিয়া হয় ।দিহে সম্পদবোৰ দেখা যায় ত্ৰি য়া-কৰে ছাত্ৰৰ শিকাৰবাবে আৰু সেয়ে ভাল ব্যৱহাৰ ।বিদ্যালয়ৰ মূৰব্বীৰ প্ৰয়োজন যোগ্যতা অনুসৰি দিয়ে অভিজ্ঞ (Persuasive) বিদ্যালয়ৰ সম্পদ ব্যৱহাৰৰ ক্ষেত্ৰত (but) কিন্তু তাত অনুসৰণ কৰা হয় মূল্যাংকন (riport) অনুসৰি সিহঁতে ব্যৱহাৰ কৰিলৈ উৎসাহ দিয়ে খৰছৰ বাবে। তুমি বাজেট উপস্থাপন কৰিব লাগে। এইটো হ'ব পাৰে যদি তাত এটা মাত্ৰও খৰছ নাই ।অকনো খৰছ নকৰে তেতিয়া তাত ব্যত্তি গত ভাবে যি প্ৰস্তুত কৰে বিলাবলৈ যথ,ট পৰিমানৰ উল্লেখিত সম্পদ ।জনসাধাৰণে পাৰে উদাহৰণ স্বৰূপে ,প্ৰত্যেক দাতাই এটা মাত্ৰ বাগিছাৰ সুলি বা কিছুমান গুটি খেতিৰ প্ৰজেক্টৰ বাবে।

যত অভিভাৱকসকলক সম্পদ বিলাকৰ প্ৰতি অৰিহণাৰ বিষয়ে কোৱা হৈছিল, এইটো তেওঁলোতৰ (Income levelse) ৰ লগত তুলনা কৰা হ'ব আৰু হিচাপ হ'ব অন্যান্য আৰ্থিক বাহিৰ হৈ যোৱা ওপৰতো ।কিছুমান ছাত্ৰৰ যোগ্যতা বাহিৰ হ'ব যদিহে সম্পদবিলাক নিৰ্ভৰ কৰিব অভিভাৱকৰ অৰিহণাৰ ওপৰত আৰু সেয়ে সুবিধা হ'ব আৰ্থিক সহায়) পৰিকল্পনা (চৰকাৰী) উল্লেখ কৰিব পাৰি যদিহে ছাত্ৰসকল সমানে শিকাৰ সুবিধা পায়।

# 6 সাৰাংশ (6 Summary)

বিভিন্ন ধৰণৰ পৰ্য্যয়িৰ আৰু বেলেগ বেলেগ সম্পদ বিলাক বিদ্যালয় বিলাকত যথেষ্টা আছে। কিন্তু বিদ্যালয়ৰ মুৰবী হিচাপে তুমি প্ৰতিত্ৰি য়া ল'ব লাগিব কেৱল তোমাৰ সীমিত সম্পদ বিলাক ভলকৈ পৰিচালনা কৰাতো নহয় (available) সম্পদ বিলাক শিকন সযুলিলৈ পৰিবৰ্ত্তিত কৰিব লাগিব ।সম্পদবিলাকৰ বত;মানৰ হিচাপে আৰু যোগ্যতা এটা ভাল ঠাই হিচাপ কৰা কিন্তু তোমাৰ প্ৰয়োজন পুনৰ সজাগ কৰি কিমান দূৰ তুমি চনাত্ত কৰিবা সমানে প্ৰয়োজ্য হ'ব সকলো ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্পদবিলাকৰ ব্যৱহাৰ পোনপতীয়া ভাবে ছাত্ৰ-ছাত্ৰীৰ (out come) ৰ লগত জড়িত ।তুমি (Staff student) আৰু কেনেকৈ শিকোৱা তাক (Consider) কৰিবলৈ আৰম্ভ কৰিব লাগিব তুমি লক্ষ্যত উপনীত হ'বলৈ সহযোগীতাৰে কামখিনি কৰিবা যাতে তোমাৰ বিদ্যালয়ৰ এই বিষয়ে (Unit) সৃষ্টি হয়। সেয়ে এই ধাৰণাৰ অস্ত্ৰ আৰু সজুলি বোৰ সৈতে এতিয়া তুমি বিদ্যালয়খন ভাল (Rich) শিক্ষাৰ পৰিবেশৰ নেতৃত্বৰে আগুৱাই নিব যাতে ভাল বিদ্যালয়খনৰ প্ৰকৃত শিক্ষাৰে ভাল পৰিবেশ বনায় ।

এই বিষয়টো এটা সূচীৰ অংশ বা বিষয়বিলাকৰ পৰিয়াল যাতে ছাবি হিচাপে এলেকাৰ লগত সমন্ধ থাকিব শিকন-শিক্ষণ প্ৰত্ৰি য়াৰ (Aligned to the national college of school leadership) তুমি ইয়াৰ বিচাৰি পাবা ব্যৱহৃিত হোৱা দেখা পাবা পিছৰ অন্য বিষয় বিলাক এই সূচীত তোমাৰ জ্ঞান আৰু দক্ষতা জনোৱা।

নেচ্‌নেল কলেজ অব স্কুল লিডাৰচিপ্‌ৰ একে শাৰীত অন্তভুক্ত। অন্য গোটবোৰ হৈছে ঃ

- প্ৰাঃ বিদ্যালয়ৰ শিকন শিক্ষণৰ অগ্ৰগতিৰ নেতৃত্ব।
- উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিকন শিক্ষণৰ অগ্ৰগতি নেতৃত্ব।
- আপোনাৰ বিদ্যালয়ত মান নিৰূপনৰ নেতৃত্ব।
- কাৰ্যদক্ষতাৰ বিকাস ঘটাবলৈ শিক্ষকক সহযোগ দিয়া।
- শিক্ষকৰ বৃত্তিমূলক বিকাশৰ বাবে নেতৃত্ব।
- নিৰিক্ষণ আৰু ব্যক্তি গত যত্ন।
- আপোনৰ বিদ্যালয়ত ফলদায়ক শিকন সংস্কৃতি গঢ় দিয়া।
- চামিলকৰণ ব্যৱস্থা বিকাশ সাধন।
- আপোনাৰ বিদ্যালয়ত প্ৰযুক্তি ব্যৱহাৰৰ নেতৃত্ব।

## সমলসমূহ (Resources)

## সমল 1 গাননিক হিচাপ (Available) তুমি পোৱা সম্পদ বিলাকৰ (Resource 1: Auditing your available resources)

***Table R1.1** Auditing your available resources – template (see Activity 1).*

| সম্পদ | বিদ্যালয়গৃহৰ ভিতৰত আৰু চৌগদত পোৱা | বিদ্যালয়ৰ সীমাৰ ভিতৰত পোৱা |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

## সমল 2 স্থানীয় সম্পদৰ ব্যৱহাৰ (Resource 2: Using local resources)

পাঠ্যপুথিৰ উপৰিও শিক্ষণত বহুতো শিকন সমল ব্যৱহাৰ কৰিব পাৰি। শ্ৰৱণ, দৰ্শণ, স্পৰ্শ, ঘ্ৰাণ আৰু স্বাদ আদি বিভিন্ন ইন্দ্ৰিয় ব্যৱহাৰ কৰি শিকন হোৱাটো যদি আপুনি বিচাৰিছে তেন্তে আপুনি প্ৰকৃততে ছাত্ৰ-ছাত্ৰীয়ে শিকিবলগীয়া বিভিন্ন প্ৰত্ৰি য়াসমূহৰ অৱতাৰণা কৰিছে। শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পৰা বা আপোনাক ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায় কৰিব পৰা বিভিন্ন ধৰণৰ সমল আপোনাৰ চাৰিওফালেই

আছে। অতি কম খৰচ কৰি বা বিনা খৰচেৰে বিদ্যালয় এখনে নিজৰ সমল যোগাৰ কৰি লব পাৰে। স্থানীয় সমলৰ প্ৰয়োগে পাঠ্যত্ৰ ম আৰু ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনৰ সংযোগ ঘটায়।

আপোনাৰ চৌপাশতে বিভিন্ন দিশৰ দক্ষ ব্যক্তি পাব আৰু এক বৃহৎ প্ৰাকৃতিক সমলো পাব। এনেবোৰৰ ব্যৱহাৰে স্থানীয় সমাজৰ লগত সংযোগ স্থাপনত, প্ৰমূল্য সমূহ প্ৰদৰ্শন কৰাত, ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পৰিবেশৰ বৈচিত্ৰতা আৰু উচ্চ মূল্য অনুধাৱন কৰাত আপোনাক সহায় কৰিব। এইক্ষেত্ৰত আটাইতকৈ গুৰুত্বপুৰ্ণ কথাটো হ'ল এয়ে যে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ ভিতৰত তথা বাহিৰত শিকন কাৰ্য সম্পন্ন কৰাৰ নিচিনা সামগ্ৰিক প্ৰত্ৰি য়া এটা আপুনি প্ৰয়োগ কৰিছে।

## শ্ৰেণীকোঠাটো উত্তমভাৱে কামত লগাওঁক (Making the most of your classroom)

মানুহে নিজৰ ঘৰটো যিমান পাৰি সিমান আকৰ্ষণীয় কৰিব খোজে। ছাত্ৰ-ছাত্ৰীয়ে যিটো পৰিৱেশত আপুনি শিকাতো বিচাৰিছে সেই পৰিৱেশৰ কথা চিন্তা কৰি লোৱাটো গুৰুত্বপুৰ্ণ। আপুনি আপোনাৰ শ্ৰেণীকোঠাটো আৰু বিদ্যালয়খন শিকনৰ বাবে আকৰ্ষণীয় স্থান কৰি তোলাৰ বাবে যি কাৰ্য কৰে সি ছাত্ৰ-ছাত্ৰীৰ ওপৰত এক ইতিবাচক প্ৰভাৱ পেলায়। আপোনাৰ শ্ৰেণীকোঠাটো ছাত্ৰ-ছাত্ৰীৰ বাবে আকৰ্ষণীয় আৰু আনন্দদায়ক কৰি তুলিবলৈ তলত উল্লিখ কৰা দিশবোৰপ্ৰয়োগ ঘটাব পাৰে ঃ

- পুৰণি আলোচনী আৰু পুস্তিকাৰ পৰা আপুনি পোষ্টাৰ বনাব পাৰে ।
- পঢ়াই থকা পাঠটোৰ সম্পৰ্কীয় বিভিন্ন বস্তু আৰু সঁজুলি আনিব পাৰে।
- ছাত্ৰ-ছাত্ৰীয়ে কৰা কাৰ্যবোৰ সজাই প্ৰদৰ্শন কৰিব পাৰে
- শ্ৰেণীকোঠাৰ প্ৰদৰ্শনীমূলক সজ্জা সঘনাই সলাই থাকি ছাত্ৰ-ছাত্ৰীক অনুসন্ধিৎসু কৰি ৰাখি নতুন নতুন শিকনৰ কথা কব পাৰে।

## শ্ৰেণীকোঠাত স্থানীয় দক্ষ ব্যক্তি ৰ প্ৰয়োগ (Using local experts in your classroom)

যদি আপুনি গণিতৰ টকা পইচা বা পৰিমাণ সম্পৰ্কে পঢ়াই আছে তেন্তে আপুনি স্থানীয় ব্যৱসায়িক বা পোছাক -পৰিচ্ছদ বনোৱা ব্যক্তি মাতি তেওঁলোকে কিদৰে গণনা আৰু জোখমাখৰ কামত গণিত প্ৰয়োগ কৰে সেই বিষয়ে শ্ৰেণীকোঠাত বাখ্যা কৰিবলৈ ক'ব পাৰে। আপুনি যদি কলা বিষয়ৰ বিভিন্ন আকৃতি আৰু নক্সাৰ বিষয়ে বুজাবলৈ খোজে, তেন্তে আপুনি বিবাহ আদিত জেতুকা লগাই দিয়া ব্যক্তি ক (ডিজাইনাৰক) শ্ৰেণীকোঠালৈ মাতি আনি বিভিন্ন আকৃতি, নক্সা, পৰম্পৰা আৰু কৌশল সম্পৰ্কে ব্যাখ্যা কৰিবলৈ দিব পাৰে। এনেদৰে দক্ষ ব্যক্তি ক অতিথি হিচাপে আমন্ত্ৰণ কৰা কাৰ্যটোৰ ফলাফল ভাল হয় যদিহে প্ৰতিগৰাকীয়ে শৈক্ষিক লক্ষ্য সময়ৰ সীমাবদ্ধতাৰ সম্পৰ্কে স্পষ্ট হৈ থাকে।

আপুনি বিদ্যালয়ৰ ভিতৰতো দক্ষ ব্যক্তি (যেনে- ৰান্ধনি, তত্বৱধায়ক আদি) পাব পাৰে, যিসকলক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিক্ষণ সম্পৰ্কীয় কথাবোৰৰ ওপৰত সোধা- পোছা বা কথা বতৰা পাতিব পাৰে। উদাহৰণস্বৰূপে, ৰান্ধোতে ব্যৱহাৰ কৰা বিভিন্ন কেঁচা সামগ্ৰীৰ পৰিমানৰ বিষয়ে জানিবলৈ বা বিদ্যালয়ৰ খেলপথাৰ, গৃহৰ ওপৰত বতৰৰ প্ৰভাৱ জানিবলৈ।

## শ্ৰেণীকোঠাৰ বাহিৰৰ পৰিৱেশৰ ব্যৱহাৰ (Using the outside environment)

শ্ৰেণীকোঠাৰ বাহিৰত অসংখ্য সমল থাকে, যিবোৰক আপুনি আপোনাৰ পাঠ প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব পাৰে। আপুনি নিজেই বা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিভিন্ন পাত, মকৰা, উদ্ভিদ, পতংগ, শিল, কাঠ আদিৰ দৰে বস্তু সংগ্ৰহ কৰাব পাৰে। এইবোৰৰ দ্বাৰা শ্ৰেণীবিভাজন বা জীৱ জড়ৰ পাৰ্থক্য নিৰূপনৰ বাবে পৰ্যবেক্ষণ, আলোচনা আদিৰ মাধ্যমেৰে বুজাব পাৰি। ইয়াৰ উপৰি স্থানীয়ভাৱে প্ৰাপ্ত আৰু স্থানীয় সমাজৰ প্ৰাসংগিক সমল, যেনে - বাছৰ সময়সুচী, বিজ্ঞাপন আদিকো শিকন সমল হিচাপে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে, শব্দ চিনাক্তকৰণ কাৰ্য, ভ্ৰমণৰ সময় গণনা বা বস্তুৰ গুনাগুণ তুলনা কৰা কাৰ্যত এইবোৰ ব্যৱহাৰ কৰিব পাৰি।

বাহিৰৰ বস্তু শ্ৰেণীকোঠাৰ ভিতৰলৈ আনিব পাৰি; কিন্তু শ্ৰেণীকোঠাৰ বাহিৰৰ পৰিৱেশটো শ্ৰেণীকোঠাৰ এক সম্প্ৰসাৰণো হব পাৰে। সাধাৰণতে সকলো ছাত্ৰ-ছাত্ৰীয়ে সহজেই বাহিৰলৈ গৈ শিকনীয় কাৰ্য কৰিব পাৰে। আপুনি ছাত্ৰ-ছাত্ৰীক বাহিৰলৈ নি তলত দিয়া ধৰণৰ ত্ৰি য়াকলাপো কৰাব পাৰে ঃ

- দুৰত্বৰ অনুমান  কৰা আৰু জোখ নিৰূপন কৰা ।
- কেন্দ্ৰৰ পৰা যে বৃত্তৰ প্ৰতিটো  বিন্দু সমদুৰত্বত থাকে তাক প্ৰদৰ্শন কৰা ।
- দিনটোৰ বিভিন্ন সময়ত ছাঁৰ দৈৰ্ঘ্য জোখলৈ লিপিবদ্ধ কৰা ।
- চাইনবোৰ্ডৰ সংকেট আৰু নিৰ্দেশনা  পঠন কৰা ।
- জৰীপ কৰা আৰু সোধ পোছ কৰা, সাক্ষাৎকাৰ লোৱা ।
- সৌৰশক্তিৰ ফলক (penal) চিনাক্ত  কৰা ।
- শস্যৰ বৃদ্ধি আৰু বৰষুণ নিৰীক্ষণ কৰা ।

বাহিৰৰ পৰিৱেশত হোৱা ছাত্ৰ-ছাত্ৰীৰ শিকনবোৰ বাস্তৱ আৰু অভিজ্ঞতা ভিত্তিক হয়। এনে বাস্তৱ অভিজ্ঞতাবোৰ  তেওঁলোকে আন আন শিকন কাৰ্যতো প্ৰয়োগ ঘটাব পাৰে।

যদি বাহিৰত কৰা ত্ৰি য়াকলাপবোৰৰ বাবে বিদ্যালয় চৌহদটোৰ পৰা বাহিৰলৈ যাব লগা হয় তেন্তে, আপুনি বিদ্যালয় প্ৰধানৰ অনুমতি লোৱা, সময় পৰিকল্পনা কৰা, নিৰাপত্তাৰ ব্যৱস্থা কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলক নিয়ম স্পষ্ট কৰি দিয়া দৰকাৰ। বাহিৰলৈ যোৱাৰ আগতে আপুনি আৰু ছাত্ৰ-ছাত্ৰীসকলে লিখিত শিকনৰ বিষয়ে স্পষ্ট হব লাগিব।

## সমলসমূহ শিকনৰ উপযোগী কৰি তোলা (Adapting resources)

আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক অৰ্থপুৰ্ণ কৰাৰ বাবে আপুনি সমলবোৰ খাপ -খুৱাই তুলিবলৈ বিচাৰিব পাৰে। সমলৰ সাল-সলনিবোৰ ক্ষুদ্ৰ হলেও ই বৃহৎ ইতিবাচক  ফল দেখুৱাব পাৰে, বিশেষকৈ আপুনি যেতিয়া শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে শিকন কাৰ্য প্ৰাসংগিক কৰি তুলিবলৈ চেষ্টা কৰে। উদাহৰণস্বৰূপে, আন প্ৰদেশৰ সৈতে জড়িত ঠাই বা মানুহৰ নাম সলনি কৰিব পাৰে বলিংগ বৈষম্য আঁতৰাবৰ বাবে গীত এটিত ব্যক্তিৰ লিংগ সলনি কৰিব পাৰে বা সাধু এটাত বিশেষ সামৰ্থৱান শিশু এটিক অন্তৰ্ভুক্ত  কৰিব পাৰে। এনেদৰে আপুনি সমলবোৰ অধিক অন্তৰ্ভুক্তি কৃত কৰিব পাৰে আৰু সেইবোৰক ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বাবে অধিক উপযোগী কৰি তুলিব পাৰে।

সমল প্ৰস্তুত কৰি লোৱা আৰু সমল সালসলনি কৰি খাপ খুৱাই লবৰ বাবে আপোনাৰ আৰু সহকৰ্মীসকলৰ যথেষ্ট দক্ষতা আছে। কোনোবা সহকৰ্মীৰ সংগীতত দক্ষতা থাকিব পাৰে। আন কোনোগৰাকীৰ  পুতলা বনোৱা বা বিজ্ঞানৰ বহি ত্ৰি য়াকলাপ সংগঠনত দক্ষতা থাকিব পাৰে। বিদ্যালয়খনত সৰ্বত্ৰে ফলপ্ৰসু শিকন পৰিৱেশ সৃষ্টি কৰাত সহায় কৰাৰ বাবে আপুনি আপোনাৰ শ্ৰেণীত ব্যৱহাৰ কৰা সমলবোৰৰ বিষয়ে সহকৰ্মীসকলৰ লগত আলোচনা কৰিব পাৰে।

## References/bibliography

*Encouraging book talk in the school library*, Open University OpenLearn unit. Available from: http://www.open.edu/openlearn/education/encouraging-book-talk-the-school-library/content-section-0 (accessed 9 August 2014).

Elmore, R.F. (1979) 'Backward mapping: implementation research and policy decisions', *Political Science Quarterly*, vol. 94, no. 4 (winter 1979/80), pp. 601–16.

*Enhancing pupil learning on museum visits*, Open University OpenLearn unit. Available from: http://www.open.edu/openlearn/education/enhancing-pupil-learning-on-museum-visits/content-section-1 (accessed 9 August 2014).

*Teachers sharing resources online*, Open University OpenLearn unit. Available from: http://www.open.edu/openlearn/education/teachers-sharing-resources-online/content-section-0 (accessed 9 August 2014).

*TESSA: using local resources – Track 1*, Open University OpenLearn unit. Available from: http://www.open.edu/openlearn/education/tessa-using-local-resources (accessed 9 August 2014).

## Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.